ভিতৰৰ পৃষ্ঠাত
নামঘোষা ঃ ভক্তি... পৃষ্ঠা ৪
ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ... পৃষ্ঠা ৫
কৃষ্ণৰ বাণী ঃ ধৰ্ম, কৰ্ম... পৃষ্ঠা ৭
এজন আদৰ্শ শিক্ষকৰ... পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:14 ■ Issue: 5 ■ Guwahati ■ Wednesday ■ 2 September, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ৫ ■ গুৱাহাটী ■ বুধবাৰ ■ ১৫ ভাদ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


৯০০ পৰিয়ালৰ স্বাস্থ্য পৰীক্ষাৰ দায়িত্বত ২২ বিভাগৰ ৩০০ শিক্ষাৰ্থী

## নলবাৰী মেডিকেল কলেজৰ ব্যতিক্ৰমী কাৰ্যসূচী ‘পৰিয়াল পৰিচৰ্যা’

**অসম ভূমি সেৱা, নলবাৰী ঃ** নলবাৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ে প্ৰতিষ্ঠা কালৰে পৰা ৰাইজক দায়বদ্ধতাৰে সেৱা আগবঢ়াই আহিছে। ২২ টা বিভাগ, ১৩২ গৰাকী চিকিৎসক আৰু ৩০০ শিক্ষাৰ্থীৰে পৰিপূৰ্ণ নলবাৰী চিকিৎসা মহাবিদ্যালয়ে মানৱীয় প্ৰমূল্যবোধক পৰম্পৰাৰে ৰূপান্তৰিত কৰাৰ বাবে নিষ্ঠাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰত্যাশা আৰু উদ্দীপনাৰ অংশ হিচাপে নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ ‘পৰিয়াল পৰিচৰ্যা’ শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচী সুকলমে সম্পাদন হৈ আছে। চিকিৎসা মহাবিদ্যালয়খনৰ কমিউনিটি মেডিচিন বিভাগৰ সৌজন্যত এই কাৰ্যসূচী পৰিচালিত হয়। ‘পৰিয়াল পৰিচৰ্যা’ শীৰ্ষক এই কাৰ্যসূচীৰ অধীনত নলবাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত ৩০০ গৰাকী শিক্ষাৰ্থীয়ে ৯০০ পৰিয়ালৰ স্বাস্থ্য সম্বন্ধীয় দায়িত্ব পালন কৰে। উক্ত ■ ১১ পৃষ্ঠাত





## বিশ্ব নাৰিকল দিৱস আৰু ইয়াৰ তাৎপৰ্য

■ ড° অঞ্জন বৰা
■ ড° ধীৰেন্দ্ৰ নাথ কলিতা

বৰ্তমান সময়ত বিশ্বৰ বিভিন্ন দেশত বছৰৰ বেলেগ বেলেগ দিনত বিভিন্ন দিৱস উদ্‌যাপন কৰা হয়। আন বহু উল্লেখযোগ্য দিনৰ দৰে বিশ্ব নাৰিকল দিৱসো বছৰৰ ২ ছেপ্টেম্বৰৰ দিনটোত বিশ্বজুৰি পালন কৰা এক গুৰুত্বপূৰ্ণ দিৱস। এই দিৱস উদ্‌যাপনৰ মূলতে ১৯৬৯ চনত ■ দুই পৃষ্ঠাত

শদিয়াত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কাৰ্যনিৰ্বাহক

## অষ্টম দৰমহা আয়োগৰ ক্ষেত্ৰত আপোচ নকৰে ৰাজ্যিক কৰ্মচাৰীয়ে

**অসম ভূমি সেৱা, শদিয়া ঃ** শদিয়াৰ প্ৰগতি ভৱনত শদিয়া জিলা কৰ্মচাৰী পৰিষদৰ আতিথ্যত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কাৰ্যনিৰ্বাহক সভা যোৱা দেওবাৰে অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই। সভাত অসম চৰকাৰে শেহতীয়াভাৱে জানুৱাৰীৰ পৰা কেন্দ্ৰীয় চৰকাৰে মৰগীয়া বানচৰ দুই শতাংশ ঘোষণাৰ পৰৱৰ্তী সময়ত ১৬ জুনত ৰাজ্য চৰকাৰৰ দিয়া নজিৰবিহীন নিৰ্দেশনা দেখি অসমৰ শিক্ষক, কৰ্মচাৰী, বিষয়াসকলে আশ্চৰ্য প্ৰকাশ কৰে। য'ত জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাৰ দিন উল্লেখ নাই। নাই বকেয়া কোনো উল্লেখ। এই কাৰ্য হতাশাৰ ■ দুই পৃষ্ঠাত

কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েছন অৱ অসম

## ভেজাল ঔষধৰ ব্যৱসায়ীক কঠোৰ শাস্তিৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইত ৰোগীৰ জীৱন বিপদাপন্ন কৰি চলাই থকা ভেজাল ঔষধৰ ৰমৰমীয়া বেহাৰ বিৰুদ্ধে স্বাস্থ্য বিভাগে চলোৱা অভিযানক আদৰণি জনাই এনে অসাধু ব্যৱসায়ত জড়িতসকলক দৃষ্টান্তমূলক শাস্তিৰ দাবী জনাইছে কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েচন অৱ অসমে। এক বিবৃতিত স্বাস্থ্য বিভাগক এই আহ্বান জনাই সংগঠনটোৰ সভাপতি ড° এন এল আগৰৱালা আৰু সম্পাদক হলধৰ ডেকাই কয় যে যোৱা ২৩ জুলাইত কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েচন অৱ অসমৰ সভাপতি ড° এন এল আগৰৱালা, দিলীপ চন্দ্ৰ গোস্বামী, হৰেন শৰ্মা আৰু সঞ্জীৱ দেৱচৌধুৰীৰ নেতৃত্বত এটা প্ৰতিনিধি দলে দিছপুৰত স্বাস্থ্যমন্ত্ৰী অশোক সিংহলক সাক্ষাৎ কৰি ৰাজ্যত গুণাগুণ পৰীক্ষা নকৰাকৈ অনলাইযোগে ঔষধ বিক্ৰী, এআইৰ জৰিয়তে নিদানপত্ৰ প্ৰস্তুত কৰা, বিভিন্ন উপায়েৰে নিম্নমানৰ জীৱনদায়িনী ঔষধ এটা চক্ৰই ৰাজ্যৰ বজাৰত মেলি দিয়া, ঔষধৰ খুচুৰা ■ ১১ পৃষ্ঠাত

গ্ল'বেল হেল্‌থ লিমিটেডৰে বুজাবুজিৰ চুক্তি

## জিএমচিএইচত স্থাপন হ'ব ৰবটিক ছাৰ্জাৰীৰ কেন্দ্ৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসমত উন্নতমানৰ অস্ত্ৰোপচাৰ সেৱা অধিক শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে যোৱা সোমবাৰে অসম চৰকাৰ আৰু Global Health Limited (Medanta)-ৰ মাজত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল (GMCH)-ত ৰবটিক ছাৰ্জাৰীৰ এক Centre of Excellence স্থাপন আৰু বিকাশৰ বাবে এখন বুজাবুজিৰ চুক্তি (MoU) স্বাক্ষৰিত হয়। এই পদক্ষেপটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক এক আধুনিক, অত্যাধুনিক আৰু বিশ্বমানৰ বৃহৎ ■ ১১ পৃষ্ঠাত

অসমৰ দুগ্ধ খণ্ডৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

## ৰাজ্যত দৈনিক অতিৰিক্ত ৪.২০ লাখ লিটাৰ দুগ্ধ সংসাধন ক্ষমতা বৃদ্ধিৰ প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে লোকসেৱা ভৱনত আয়োজিত এক বৈঠকত অসমৰ দুগ্ধ খণ্ডৰ সামগ্ৰিক পৰ্যালোচনা কৰে আৰু দুগ্ধ উন্নয়ন সঞ্চালকালয়ক ৰাজ্যত গাখীৰৰ উৎপাদন ■ দুই পৃষ্ঠাত



সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰে বৈঠক মন্ত্ৰী কৌশিক ৰায়ৰ

## হিতাধিকাৰীক সামগ্ৰীৰ বিতৰণ নিশ্চিত কৰাৰ নিৰ্দেশ



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে যোৱা সোমবাৰে অসম সচিবালয়ৰ ব্লক-বি-স্থিত তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ তেওঁলোকৰ বিভিন্ন সমস্যা ■ ১১ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## বিশ্ব নাৰিকল দিৱস আৰু

স্থাপন হোৱা এছিয়ান নাৰিকল সম্প্ৰদায় (Asian Coconut Community) নামৰ এক আন্তঃৰাষ্ট্ৰীয় সংস্থা জড়িত। এই সংস্থাত এছিয়াৰ বাহিৰৰ দেশসমূহক অন্তৰ্ভুক্ত কৰি সদস্যপদ সম্প্ৰসাৰিত কৰাৰ লক্ষ্যৰে, ১৯৭৫ চনত ইয়াক এছিয়ান আৰু প্ৰশান্ত মহাসাগৰীয় নাৰিকল সম্প্ৰদায় (Asian and Pacific Coconut Community) নামেৰে পুনৰ নামাকৰণ কৰা হয়। পৰৱৰ্তী সময়ত আফ্ৰিকা, কেৰিবিয়ান আৰু দক্ষিণ আমেৰিকাত ইয়াৰ বৰ্ধিত বিশ্বব্যাপী সদস্যপদ প্ৰতিফলিত কৰিবলৈ, সংগঠনটোৱে ২০১৮ চনত আনুষ্ঠানিকভাৱে ইয়াৰ নাম আন্তৰ্জাতিক নাৰিকল সম্প্ৰদায় (International Coconut Community) লৈ সলনি কৰে। ২০০৯ চনত সংগঠনটোৱে ইয়াৰ প্ৰতিষ্ঠা দিৱস স্মৰণ আৰু নাৰিকল শস্যৰ অৰ্থনৈতিক আৰু সামাজিক গুৰুত্ব প্ৰচাৰ কৰাৰ বাবে ২ ছেপ্টেম্বৰ তাৰিখটো বিশ্ব নাৰিকল দিৱস হিচাপে ঘোষণা কৰে। এই আন্তৰ্জাতিক সংস্থাটোৰ মুখ্য কাৰ্যালয় ইন্দোনেছিয়াৰ জাকাৰ্টাত অৱস্থিত। পাতনিতে তিনিখন ৰাষ্ট্ৰৰে (ভাৰত, ইন্দোনেচিয়া, ফিলিপাইনচ) আৰম্ভ হোৱা এই সংস্থাটোৰ বৰ্তমান মালয়েছিয়া, থাইলেণ্ড, ভিয়েটনাম, শ্ৰীলংকা, মেক্সিকো, ব্ৰাজিল, ঘানা, ফিজি, কেনিয়া, গায়ানা আদিকে ধৰি সদস্য সংখ্যা ২১।

এই সংগঠনটোৰ মূল লক্ষ্য হৈছে নাৰিকল উৎপাদনকাৰী দেশসমূহৰ আৰ্থ-সামাজিক বিকাশ আৰু নাৰিকলৰ লগত জড়িত উদ্যোগসমূহৰ সামগ্ৰিক উন্নয়ন সাধন কৰা। বিশ্ব নাৰিকল দিৱস উদ্‌যাপন কৰাৰ প্ৰধান উদ্দেশ্যই হৈছে নাৰিকলৰ বহুল ব্যৱহাৰৰ প্ৰতি ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰা আৰু নাৰিকলৰ কৃষিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়ভাৱে প্ৰাধান্য দিয়া তথা নাৰিকলভিত্তিক উদ্যোগসমূহত বিনিয়োগৰ বাবে উদগনি জনোৱা।

নাৰিকল গছ এবিধ বহুবৰ্ষজীৱী, বহুমূলীয়া সম্পদ। ই এক গুৰুত্বপূৰ্ণ খাদ্য আৰু লগতে তৈলবীজ শস্য। মনোমোহা নাৰিকল গছৰ পাতৰ পৰা আৰম্ভ কৰি শিপালৈকে সকলো অংশই মানুহৰ উপকাৰত আহে। আমাৰ সমাজত বিভিন্ন ধৰ্মীয় ৰীতি-নীতি, সাংস্কৃতিক আৰু সামাজিক পৰম্পৰাত নাৰিকলৰ এক বিশেষ গুৰুত্ব আছে। বাণিজ্যিক বা ব্যৱসায়িকভাৱেও নাৰিকলৰ খেতিৰ এক বিশেষ গুৰুত্ব আছে। বিভিন্ন সৰু-বৰ উদ্যোগত নাৰিকল গছৰ বিভিন্ন অংশ কেঁচা সামগ্ৰী হিচাপে বহুলভাৱে ব্যৱহাৰ হয়। নাৰিকলৰ পৰা প্ৰস্তুত এনে সামগ্ৰীৰ বজাৰত যথেষ্ট চাহিদা আছে। নাৰিকল গছজোপাক কল্পবৃক্ষ অৰ্থাৎ সৰগৰ বৃক্ষ বুলি কোৱা হয় কাৰণ ইয়াৰ প্ৰতিটো অংশই কিবা নহয় কিবা কামত ব্যৱহাৰ হয়। ইয়াৰ বহুতো ঔষধি আৰু পুষ্টিকৰ গুণাগুণ দিনক দিনে প্ৰকাশিত হৈ অহাত, নাৰিকলৰ মূল্য-সংযোজিত সামগ্ৰীবোৰে মানুহৰ স্বাস্থ্য, পুষ্টি আৰু সুস্থতাৰ বাবে অৰিহণা যোগোৱা কাৰক হিচাপে বিশ্বব্যাপী গুৰুত্ব লাভ কৰিছে। এই শস্যই বিশ্বৰ বহুতো দেশৰ গ্ৰাম্য অঞ্চলৰ লোকক জীৱিকাৰ সুৰক্ষা আৰু নিযুক্তিৰ সুযোগ প্ৰদান কৰি আহিছে।

নাৰিকল একেৰাহে এবিধ খাদ্য, মাংগলিক কাৰ্যত প্ৰসাদ, বিহুত পিঠা-পনা, পৰিপুষ্টি দায়ক পানীয়। নাৰিকল ফলৰ সাঁহৰ পৰা বিভিন্ন সুস্বাদু খাদ্য যেনে শুকান নাৰিকল, গাখীৰ, ক্ৰীম, নাৰিকলৰ পাউদাৰ, নাৰিকলৰ চিপচ, জাম আৰু নাৰিকলৰ পানীৰ পৰা জেলি (Nata-de-Coco) আদি প্ৰস্তুত কৰিব পাৰি। এনেবোৰ সামগ্ৰীৰ বজাৰত যথেষ্ট চাহিদা আছে। নাৰিকলৰ ফুলৰ ঘোকটোৰ পৰা নীৰা (Neera) নামৰ এবিধ সুস্বাদু মিঠা পানীয় দ্ৰব্য নিষ্কাশন কৰিব পাৰি, য'ত গ্লাইচেমিক ইনডেক্স (Glycemic Index) বহুত কম থাকে বাবে ইয়াক মধুমেহ ৰোগীয়েও সেৱন কৰিব পাৰে। নাৰিকল তেল প্ৰসাধনৰ উপৰিও আমাৰ দেশৰ বিভিন্ন ৰাজ্যত খোৱা তেল হিচাপেও ব্যৱহাৰ কৰা হয়। তদুপৰি নাৰিকল তেল এণ্টিভাইৰেল (Antiviral) আৰু এণ্টিবেক্টেৰিয়েল (Antibacterial) হিচাপেও কাম কৰে। ডাব নাৰিকলৰ পানী ঔষধি গুণৰে সমৃদ্ধ হোৱাৰ উপৰিও শক্তিবৰ্ধক হিচাপেও কাম কৰে। ই পৃথিৱীৰ ভিতৰতে আটাইতকৈ নিৰাপদ পানীয় হিচাপেও বিবেচিত। নাৰিকলৰ আঁহৰ ওপৰত ভিত্তি কৰি বৃহৎ বৃহৎ কইৰ (coir) উদ্যোগ গঢ় লৈ উঠিছে য'ত ৰছি, কাৰ্পেট, কুছন আদি বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা হয়। বিভিন্ন ধৰণৰ হস্তশিল্প সামগ্ৰী তৈয়াৰৰ বাবেও প্ৰয়োজনীয় কেঁচামাল নাৰিকল গছজোপাৰ পৰা পাব পাৰি। আনহাতে নাৰিকলৰ খোলাটোৰ পৰা বিভিন্ন আলংকাৰিক সামগ্ৰী তৈয়াৰ কৰাৰ লগতে কয়লাও প্ৰস্তুত কৰিব পাৰি।

নাৰিকলৰ এনে একৰ পৰা একাধিক ব্যৱহাৰৰ কথা কৈ সামৰিব নোৱাৰি। এনে অসংখ্য বা অসিমীত ব্যৱহাৰৰ বাবে নাৰিকলৰ কৃষিয়ে সমগ্ৰ বিশ্বতে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছে, যিয়ে ৰাষ্ট্ৰীয় তথ্য আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে। এনে পৰিপ্ৰেক্ষিতত আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান আন্তৰ্জাতিক নাৰিকল সম্প্ৰদায়ে প্ৰাৰম্ভ কৰা আৰু পৃথিৱীৰ বিভিন্ন দেশে প্ৰতিবছৰে ২ ছেপ্টেম্বৰত উদ্‌যাপন কৰি অহা বিশ্ব নাৰিকল দিৱসে এক বিশেষ গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। নাৰিকল উৎপাদনত আমাৰ দেশ ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতে প্ৰথম। সমগ্ৰ বিশ্বৰ ৩১% নাৰিকল ভাৰততে উৎপাদিত হয়। ভাৰতৰ ভিতৰত কৰ্ণাটক, তামিলনাডু, কেৰালা আৰু অন্ধ্ৰ প্ৰদেশত নাৰিকলৰ উৎপাদন আটাইতকৈ বেছি হয়। নাৰিকল উন্নয়ন ব'ৰ্ডৰ তথ্য অনুযায়ী ২০২৪-২৫ বৰ্ষত অসমত ২২,০৬০ হেক্টৰ মাটিকালিৰ অধীনত থকা নাৰিকলৰ খেতিৰ পৰা ১২৫.৬৮ নিযুত নাৰিকল উৎপাদন হৈছে। ৰাষ্ট্ৰীয় গড় উৎপাদনৰ (৯,২৪৯ টা নাৰিকল) তুলনাত ৰাজ্যিক গড় উৎপাদন হৈছে হেক্টৰে প্ৰতি ৫,৬৯৬ টা নাৰিকল। অসমত এই নিম্নমানৰ উৎপাদনৰ ক্ষেত্ৰত বাৰীসমূহত থকা বয়সীয়া আৰু অনুৎপাদনশীল নাৰিকল গছ গুণগত মানদণ্ডৰ ৰোপণ সামগ্ৰীৰ অভাৱ, অনিষ্টকাৰী পোক-পৰুৱা আৰু বেমাৰ-আজাৰ, কেৰ্কেটুৱাৰ প্ৰাদুৰ্ভাৱ, অপৰ্যাপ্ত পুষ্টি আৰু শীতকালীন জলসিঞ্চনৰ সমস্যা, বানপানী আৰু জলমগ্ন অৱস্থা, সংসাধন তথা মূল্য সংযোজনৰ সুবিধাৰ অভাৱ, নাৰিকল চপোৱাৰ বাবে প্ৰশিক্ষিত শ্ৰমিকৰ অভাৱ আদিয়েই প্ৰধান অন্তৰায় হিচাপে বিবেচিত। এই ক্ষেত্ৰত অসমত নাৰিকল খেতিৰ সামগ্ৰিক বিকাশৰ বাবে নাৰিকলৰ বাৰীসমূহৰ পুনৰুজ্জীৱিতকৰণ, ৰুগীয়া আৰু বয়সীয়া নাৰিকল গছসমূহ আঁতৰাই পুনৰ ৰোপণৰ যোগেদি নাৰিকলৰ ক্ষেত্ৰ সম্প্ৰসাৰণ, নাৰিকলভিত্তিক বহুতৰপীয়া কৃষি প্ৰণালীক প্ৰাধান্য, উন্নত মানদণ্ডৰ পুলি উৎপাদন, সমন্বিত কীট নিয়ন্ত্ৰণ, সু-সংহত পৰিপুষ্টি আৰু জল ব্যৱস্থাপনা, প্ৰক্ৰিয়াকৰণ আৰু মূল্য সংযোজনৰ দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাতো অতি গুৰুত্বপূৰ্ণ।

ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ দৰে আমাৰ অসমতো প্ৰতিবছৰে ২ ছেপ্টেম্বৰৰ দিনটোত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কাঁহিকুছিস্থিত উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ উদ্যোগত বিশ্ব নাৰিকল দিৱস পালন কৰি অহা হৈছে। যোৱা বছৰৰ দৰে এইবছৰো এই দিৱস পালনৰ বাবে প্ৰচেষ্টা লোৱা হৈছে, এনে পৰিপ্ৰেক্ষিতত অসমত নাৰিকলৰ কৃষিক প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে বিশ্ব নাৰিকল দিৱস উদ্‌যাপনে এক বিশেষ তাৎপৰ্য বহন কৰিছে।

## ৰাজ্যত দৈনিক অতিৰিক্ত ৪.২০ লাখ

বৃদ্ধি, সমবায় নেটৱৰ্কৰ সম্প্ৰসাৰণ, দুগ্ধ সংসাধনৰ ক্ষমতা বৃদ্ধি আৰু গাখীৰৰ এক শক্তিশালী মূল্য শৃংখল গঢ়ি তোলাৰ লক্ষ্যৰে সুনিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে গাখীৰৰ উৎপাদন, চাহিদা আৰু জিলাভিত্তিক গাখীৰ উৎপাদিত এলেকাসমূহ আদিকে সামৰি ৰাজ্যখনত গাখীৰৰ সামগ্ৰিক উপলব্ধতাৰ পৰ্যালোচনা কৰে। সংগঠিত আৰু পঞ্জীয়নভুক্ত সমিতিসমূহৰ মাজৰ ব্যৱধানকে ধৰি দুগ্ধ সমবায় সমিতিসমূহৰ সাম্প্ৰতিক স্থিতি সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। বৈঠকত দুগ্ধপালকক প্ৰদান কৰা ৫ টকীয়া ৰাজসাহায্য আঁচনিৰ ৰূপায়ণ, আঁচনিখনে সামৰি লোৱা পৰিসৰ, দুগ্ধ সমবায় সমিতিসমূহৰ পঞ্জীয়ন পৰ্টেল আৰু হিতাধিকাৰীক সামৰি লোৱাৰ ক্ষেত্ৰত থকা জটিলতাসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়। বৈঠকত বৰ্তমানে ৰাজ্যত কৰ্মক্ষম আৰু অব্যৱহৃত হৈ থকা তথা ৰূপায়ণ কৰি থকা দুগ্ধ সংসাধন প্ৰকল্পসমূহৰো মূল্যায়ন কৰা হয় আৰু দুগ্ধ সমবায় সমিতি, গাখীৰ সংগ্ৰহ, সংসাধন আৰু সামগ্ৰিক মূল্য শৃংখল শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি দুগ্ধ খণ্ডৰ বাবে এক পাঁচ বছৰীয়া ৰূপৰেখা সন্দৰ্ভত আলোচনা কৰা হয়। পৰ্যালোচনাকালত বিভাগীয় বিষয়াসকলে মুখ্যমন্ত্ৰীগৰাকীক অৱগত কৰে যে বৰ্তমান অসমত প্ৰতিদিনে ৩৩.৫৩ লাখ লিটাৰ গাখীৰ উৎপাদন হয় আৰু ৰাজ্যত বাৰ্ষিক গাখীৰৰ উৎপাদন হৈছে ১২,২৪০ লাখ লিটাৰ। ৰাজ্যত ২,০০৬ খন সংগঠিত দুগ্ধ সমবায় সমিতি আছে, ইয়াৰে ১,০৩২ খন পঞ্জীয়নভুক্ত। ৰাজ্যখনত বৰ্তমানৰ দুগ্ধ সংসাধন ক্ষমতা হৈছে দৈনিক ৪.৯৫ লাখ লিটাৰ, আনহাতে প্ৰতিদিনে ৪.২০ লাখ লিটাৰৰ অতিৰিক্ত সংসাধন ক্ষমতা বৃদ্ধিৰ কাম চলি আছে। ইয়াৰ উদ্দেশ্যে বজালী, যোৰহাট জিলাৰ কলিয়াপানী, ডিব্ৰুগড়ৰ লাহোৱাল, ধেমাজিৰ ৰঙাজান গাঁও, শোণিতপুৰৰ জামুগুৰিহাট আৰু কামৰূপ জিলাৰ ৰাণীত কেইবাটাও নতুন দুগ্ধ সংসাধন প্ৰকল্প গঢ়ি তোলাৰ কাম অব্যাহত আছে। ৰাজ্যৰ দুগ্ধ খণ্ডটোক অধিক শক্তিশালী কৰাৰ বাবে এক সমন্বিত ৰণনীতি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পশুপালন বিভাগ, সমবায় বিভাগ, গাখীৰ সংসাধনকাৰী আৰু দুগ্ধ পালকসকলৰ অংশগ্ৰহণেৰে এদিনীয়াকৈ এখন চিন্তন শিবিৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়ে। এই শিবিৰত মূলতঃ ৰাজসাহায্যৰ গাঁথনিৰ পৰ্যালোচনা, ব্যৱস্থাত থকা জটিলতা চিহ্নিত কৰা, অধিক গাখীৰ উৎপাদন হোৱা অঞ্চলসমূহ চিনাক্ত কৰা, পৰম্পৰাগতভাৱে দুগ্ধ উৎপাদিত অঞ্চলসমূহৰ প্ৰসাৰ ঘটোৱা, গাখীৰ সংগ্ৰহ আৰু সংসাধনৰ বাবে এক 'হাব এণ্ড স্পক্স' আৰ্হিৰ সম্ভাৱনীয়তা পৰীক্ষা কৰা, সংসাধন আন্তঃগাঁথনিৰ অভাৱসমূহ দূৰ কৰা আৰু প্ৰতিখন গাঁৱতে দুগ্ধ সমবায় সমিতি স্থাপন কৰাৰ দৰে বিষয়সমূহ সামৰি লোৱাত গুৰুত্ব আৰোপ কৰা হ'ব। ড° শৰ্মাই দুগ্ধ সঞ্চালকালয়ৰ খালী পদসমূহ পোনপটীয়া নিযুক্তি আৰু পদোন্নতিৰ জৰিয়তে শীঘ্ৰে পূৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি তেওঁ প্ৰমাণভিত্তিক পৰিকল্পনা আৰু এই খণ্ডটোৰ উন্নয়নৰ বাবে লক্ষ্য নিৰ্ধাৰিত পদক্ষেপ গ্ৰহণ সুচল কৰাৰ উদ্দেশ্যৰে এক বিস্তৃত পশুধন জৰীপ চলোৱাৰো নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লখিমী প্ৰজাতিৰ গাই গৰুৰ সংৰক্ষণ আৰু প্ৰসাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে আৰু মহিলা পৰিচালিত দুগ্ধ সমবায় সমিতিসমূহৰ জৰিয়তে এই দিশত এক কেন্দ্ৰীভূত প্ৰচেষ্টা হাতত লবলৈ নিৰ্দেশ দিয়ে। তেওঁ মহিলাৰ অধিক অংশগ্ৰহণ, সমবায়ৰ পৰিসৰ বৃদ্ধি, উন্নত সংগ্ৰহ ব্যৱস্থা আৰু বৰ্ধিত সংসাধন আন্তঃগাঁথনিৰ জৰিয়তে দুগ্ধ উৎপাদন আৰু সংসাধন পৰিকাঠামোক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বৈঠকত পশুপালন, পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱী, মুখ্য সচিব ড° ৰবি কোটা, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অতিৰিক্ত মুখ্য সচিব কে চি চামৰিয়া, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড° কে কে দ্বিবেদী আৰু দুগ্ধ উন্নয়ন সঞ্চালকালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

## অষ্টম দৰমহা আয়োগৰ ক্ষেত্ৰত

চৰম পৰিণতি বুলি সভাই মত পোষণ কৰে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ মৰগীয়া বানচৰ আন এক কিস্তি মোকলাই দিয়াৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। এনে সময়ত ৰাজ্যৰ শিক্ষক-কৰ্মচাৰী সমাজক জানুৱাৰীৰ বকেয়া আদায়ৰ ক্ষেত্ৰত ব্যস্ত কৰি ৰাখিছে। পৰিষদৰ সভাত অংশগ্ৰহণকাৰীসকলে সংশয় প্ৰকাশ কৰে যে অষ্টম দৰমহা আয়োগ সম্পৰ্কত কৰ্মচাৰী সমাজক চৰকাৰে চাপত ৰখাৰ চেষ্টা কৰিছে। বিশেষ প্ৰক্ৰিয়াৰে নিযুক্তিপ্ৰাপ্ত (SRD জৰিয়তে) শিক্ষকসকলৰ চাকৰিৰ স্থায়িত্বৰ চৰ্তৰ ক্ষেত্ৰত কোনো কাৰণতে অসুৰক্ষিত অনুভৱ কৰিব নোৱাৰিব। বেতন সুৰক্ষাসহ সকলো SRD শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰিবলৈ সভাই চৰকাৰক দাবী জনায়। আনহাতে, মুখ্যমন্ত্ৰীয়ে পদোন্নতিৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ ঘোষণাক আদৰণি জনাই সভাই ব্যক্তিগত পদত কৰ্মৰত কৰ্মচাৰীসকলৰ পদোন্নতিও প্ৰক্ৰিয়াটোক অন্তৰ্ভুক্ত কৰাৰ বাবে চৰকাৰক অনুৰোধ জনায়। আনহাতে, অহা ৯, ১০ আৰু ১১ অক্টোবৰত নলবাৰী জিলাত বজালী, বাক্সা, তামুলপুৰ আৰু বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ সহযোগত নলবাৰীত পৰিষদৰ ৪১ সংখ্যক অধিৱেশন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়। অষ্টম দৰমহা আয়োগৰ ক্ষেত্ৰত কোনো কাৰণতে আপোচ কৰা নহ'ব বুলিও সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। সম্পাদকপ্ৰধান পংকজ বৰ্মনে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। শদিয়া জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি পৱিত্ৰ সোণোৱাল আৰু সম্পাদক নৰকান্ত বড়াই অভ্যাগতসকলক ফুলাম গামোচাৰে আদৰণি জনায়। সভাত পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্য তথা সদৌ অসম মজলীয়া শিক্ষক সন্থাৰ সম্পাদক জয়ন্ত কুমাৰ দাসৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়।

## ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ উত্তৰ-পূব মণ্ডলৰ ক্ষেত্ৰীয় কাৰ্যবাহী সঞ্চালক

# বেলতলা লক্ষ্মী মন্দিৰত মনোজ কুমাৰ শৰ্মা বৰদলৈক সম্বৰ্ধনা

**গুৱাহাটী ঃ** ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ উত্তৰ-পূব মণ্ডলৰ ক্ষেত্ৰীয় কাৰ্যবাহী সঞ্চালক মনোজ কুমাৰ শৰ্মা বৰদলৈক গুৱাহাটীৰ মৈদাম বেলতলা শ্ৰী শ্ৰী লক্ষ্মী মন্দিৰত ২৮ আগষ্টৰ দিনা নিশা মৈদাম বেলতলা সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক সাধাৰণ সভাত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে অঞ্চলটোৰ বনগাঁৱৰ বাসিন্দা মনোজ কুমাৰ শৰ্মা বৰদলৈয়ে দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ হিচাপ পৰীক্ষক হিচাপেও কাৰ্যনিৰ্বাহ কৰি আহিছে। অলপতে মনোজ কুমাৰ শৰ্মা বৰদলৈয়ে ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ উত্তৰ-পূব মণ্ডলৰ ক্ষেত্ৰীয় কাৰ্যবাহী সঞ্চালক পদত নিযুক্তি লাভ কৰিছিল আৰু প্ৰাধিকৰণৰ শীৰ্ষ পদ লাভ কৰা প্ৰথমগৰাকী অসমীয়া হোৱাৰ বিৰল গৌৰৱ অৰ্জন কৰা বাবে তেওঁক সম্বৰ্ধনা জনোৱা হয়। আনহাতে উদ্‌যাপন সমিতিৰ সভাপতি ভাগ্যৰাম তুমুঙৰ সভাপতিত্বত ২০০ ৰো অধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাখনত সমিতিৰ কাৰ্যকৰী সভাপতি দুৰ্লভ পাত্ৰ, সাধাৰণ সম্পাদক ড° গণেশ চন্দ্ৰ দাসকে ধৰি কেইবাজনো কৰ্মকৰ্তা আৰু বিশিষ্ট লোকে মনোজ কুমাৰ শৰ্মা বৰদলৈক শুভেচ্ছা জ্ঞাপন কৰি তেওঁৰ নেতৃত্বত আগন্তুক দিনত অসমসহ উত্তৰ-পূবত অসামৰিক বিমান পৰিবহণ খণ্ডই নতুন ৰূপ লাভ কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে সুস্বাস্থ্য কামনা কৰে।



সভাত সম্বৰ্ধনা গ্ৰহণ কৰি মনোজ কুমাৰ শৰ্মা বৰদলৈয়ে সমিতিৰ ফালৰ পৰা তেওঁক বিশেষভাৱে সম্বৰ্ধনা জনাই উৎসাহিত কৰা বাবে সকলোলৈকে অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আনহাতে সভাত আগন্তুক শাৰদীয় দুৰ্গা পূজাৰ প্ৰস্তুতি সন্দৰ্ভত বিশদ আলোচনা কৰা হয়। ইয়াৰ উপৰি সভাত সৰ্বসন্মতিক্ৰমে ভাগ্যৰাম তুমুঙক সভাপতি, দুৰ্লভ পাত্ৰক কাৰ্যকৰী সভাপতি, ড° গণেশ চন্দ্ৰ দাসক সাধাৰণ সম্পাদক, অজয় দলৈ আৰু দিগন্ত কলিতাক সম্পাদক হিচাপে লৈ আগন্তুক কাৰ্যকালৰ বাবে মৈদাম বেলতলা সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা উদ্‌যাপন সমিতিখন গঠন কৰা হয়।

## ভট্টদেৱ বিশ্ববিদ্যালয়ত সংস্কৃত দিৱস

**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ উদ্যোগত যোৱা ২৮ আগষ্টত 'সংস্কৃত দিৱস' পালন কৰা হয়। বিভাগীয় ছাত্ৰী কংকনা দাসে সংস্কৃত ভাষাতে আঁত ধৰা সভাখনত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক মনজিৎ দাসে বন্তি প্ৰজ্বলন কৰি ভাষণ প্ৰদান কৰে। ভাষণত দাসে সংস্কৃত ভাষাটো জনভাষা নোহোৱা হেতুকে সকলোৱে বুজি পোৱাত অসুবিধা হৈছে আৰু এটা যোগাযোগৰ ব্যৱধানৰ বাবে ভাষাটোৱে প্ৰসাৰ লাভ কৰিব পৰা নাই বুলি কৈ ভাষাটোৰ প্ৰসাৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰশ্মি দেৱীয়ে সংস্কৃত ভাষাত আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে কবিতা আবৃত্তি কৰি ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত মনোনিৱেশ কৰিবলৈ কয়। নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি বি. এইচ. বি. মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড°দিপ্তীমণি গোস্বামীয়ে সংস্কৃত দিৱসৰ তাৎপৰ্যৰ ওপৰত আলোকপাত কৰে। বিভাগীয় অধ্যাপক ড° অম্বৰীশ অধ্যাপকে সংস্কৃত ভাষাৰ মহত্বৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। বিভাগীয় অধ্যাপিকা আৰু ছাত্ৰীসকলে মংগলাচৰণ কৰা আৰু মিল্টন বড়োৱে দুৰ্গাস্তোত্ৰম্ পাঠ কৰা সভাখনত বিভাগীয় অধ্যাপিকা ড°বনশ্ৰী সৰকাৰে কৃতজ্ঞতা জ্ঞাপন কৰে।

## হালীগাঁও হাইস্কুলৰ প্ৰধান শিক্ষক মহঃ জব্বৰ আলীক বিদায় সম্বৰ্ধনা

# গুণবান শিক্ষক আজীৱন স্মৰণীয় হৈ থাকে ঃ বিমল শৰ্মা

**ৰামপুৰ ঃ** 'শিক্ষকতা এটা পবিত্ৰ সেৱা। নতুন প্ৰজন্মক সঠিক পথৰ সন্ধান দিয়া প্ৰতিজন গুণবান শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীৰ মানসপটত আজীৱন স্মৰণীয় হৈ থাকে' পলাশবাৰী সমষ্টিৰ অন্তৰ্গত হালীগাঁও হাইস্কুলৰ মহঃ জব্বৰ আলীৰ বিদায় সম্বৰ্ধনা সভাত বিশিষ্ট অতিথিৰূপে বক্তব্য ৰাখি জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই যোৱা সোমবাৰে হালীগাঁৱত এনেদৰে মন্তব্য কৰে। সুদীৰ্ঘ ৩৩ বছৰ ধৰি প্ৰথমতে সহকাৰী শিক্ষক আৰু পিছলৈ প্ৰধান শিক্ষক হিচাপে সততাৰে শিক্ষকতা কৰি অৱসৰগ্ৰহণ কৰা জব্বৰ আলী বিদ্যালয়ৰ ইতিহাসত স্মৰণীয় হৈ থাকিব বুলি মন্তব্য কৰে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি চফিকুৰ ৰহমানৰ



সভাপতিত্বত হোৱা সভাখনত প্ৰবীণ কংগ্ৰেছ নেতা নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য সহায়ক গিৰীশ চন্দ্ৰ দাস, জুৰেল মজুমদাৰ, অনন্ত ৰাম নাথ, চাইনো আলী, কুটুবুদ্দিন আহমেদ, চাহাব আলী, লালমোহন চৌধুৰী প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট লোকে মহ: জব্বৰ আলীৰ ত্যাগ-অৱদানৰ বিষয়ে নিজৰ ভাষণত উল্লেখ কৰে। বিদ্যালয়খনৰ শিক্ষক জয়ন্ত দাস আৰু ধীৰাজ দাসে আঁতধৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ শিক্ষক সুৰেশ দাসে। সভাখনৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী সৃষ্টি 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক গীতটি সমবেত সংগীত হিচাপে পৰিৱেশন কৰা হয়। বিদায়ী শিক্ষক গৰাকীক ফুলাম গামোচা, জাপি, বস্ত্ৰ, ডায়েৰী, কলম, ছাটি, শৰাই, প্ৰশস্তি-পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতি, প্ৰাক্তন ছাত্ৰ সন্মিলনী, হালীগাঁও ৰাইজ গয়ৰহ, যুৱজ্যোতি ক্লাব, দক্ষিণ কামৰূপ পৰীক্ষা পৰিষদৰ লগতে দাতিকাষৰীয়া কেইবাখনো হাইস্কুলৰ ফালৰপৰাও পৃথকে পৃথকে সম্বৰ্ধনা জনোৱা হয়। শলাগৰ শৰাই আগবঢ়ায় সহকাৰী শিক্ষক মানিক আলীয়ে।

## নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান তামুলপুৰ জিলা প্ৰশাসনৰ

# শিক্ষানুষ্ঠানৰ সমীপত মদ, গুটখা-চিগাৰেট বিক্ৰী কৰাৰ নিৰ্দেশ

**অসম ভূমি সেৱা, তামুলপুৰ ঃ** তামুলপুৰ জিলাত নিচাযুক্ত দ্ৰব্যৰ অবৈধ ব্যৱহাৰ, সৰবৰাহ আৰু বিক্ৰী ৰোধৰ লগতে যুৱপ্ৰজন্মক নিচাৰ পৰা আঁতৰাই ৰখাৰ উদ্দেশ্যে যোৱা ২৯ আগষ্টত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত চিমি কৰণ, আই এ এছৰ অধ্যক্ষতাত নাৰ্ক'টিকছ কণ্ট্ৰ'লৰ সৈতে জড়িত জিলা পৰ্যায়ৰ সমিতি (এনকৰ্ড)-ৰ আগষ্টৰ বৈঠকখন অনুষ্ঠিত হয়। বৈঠকত জিলাখনত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে চলি থকা অভিযান, অবৈধ সৰবৰাহ ৰোধ, শিক্ষানুষ্ঠানৰ সমীপত নিচাযুক্ত সামগ্ৰীৰ বিক্ৰী আৰু বিভিন্ন বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। বৈঠকত বিদ্যালয় আৰু ধৰ্মীয় অনুষ্ঠানৰ পৰা ১০০ মিটাৰৰ ভিতৰত সুৰাৰ দোকান থকাৰ বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। একেদৰে কোনো কোনো স্থানত ইতিপূৰ্বে স্থাপিত সুৰাৰ দোকানৰ ওচৰলৈ বেলেগ স্থানৰ পৰা শিক্ষানুষ্ঠান স্থানান্তৰ কৰা বিষয়টোও আলোচনা কৰি এনে বিষয়ত সংশ্লিষ্ট বিভাগক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়কে ধৰি বিভিন্ন শিক্ষানুষ্ঠানৰ ওচৰত গুটখা, চিগাৰেট আদিৰ বিক্ৰী চলি থকা বিষয়টোও বৈঠকত উত্থাপন হয়। শিক্ষানুষ্ঠানৰ চৌহদৰ সমীপত এনে সামগ্ৰীৰ বিক্ৰী বন্ধ কৰিবলৈ সংশ্লিষ্ট বিভাগক জিলা আয়ুক্তগৰাকীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। ইয়াৰ উপৰি কুমাৰীকাটা, নাওকাটা, কাউৰবাহা আদি অঞ্চলৰ কিছুমান ফাৰ্মাচীত খালী ছিৰিঞ্জ বিক্ৰী হোৱা বিষয়েও বৈঠকত আলোচনা হয়। এনে ছিৰিঞ্জ নিচাসক্ত ব্যক্তিয়ে ব্যৱহাৰ কৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি বিষয়টো গুৰুত্ব সহকাৰে পৰীক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কৃষি বিভাগে জনোৱা মতে, জিলাখনৰ ৩০ খন গাঁৱত অভিযান চলাই ভাং, পপী আদি নিচাযুক্ত উদ্ভিদৰ খেতি বিচাৰি অভিযান চলোৱা হৈছে যদিও অভিযানত এনে খেতি পোৱা হোৱা নাই বুলি বৈঠকত অৱগত কৰা হয়। আনহাতে, এছ এছ বি সহযোগত বন বিভাগেও নিয়মীয়াকৈ পেট্ৰ'লিং চলাই থকাৰ লগতে জিলাখনৰ মাজেৰে নিচাযুক্ত দ্ৰব্যৰ অবৈধ সৰবৰাহ ৰোধৰ ক্ষেত্ৰতো সতৰ্কতা অৱলম্বন কৰা হৈছে। বৈঠকত 'আশা ভৱন'ৰ পঞ্জীয়ন আদি বিষয়তো আলোচনা কৰা হয়। লগতে জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানত নিচাৰ কুপ্ৰভাৱ সন্দৰ্ভত সজাগতা সৃষ্টি আৰু নিচামুক্ত সমাজ গঢ়াৰ বাবে নিয়মীয়াকৈ সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত ড° দীপাংকৰ নাথ, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষৰ লগতে বন, স্বাস্থ্য, শিক্ষা, কৃষি, আবকাৰী আৰু অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে বুলি সংবাদ মাধ্যমক অৱগত কৰে তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই।

অসম ভূমি ২ ছেপ্টেম্বৰ, ২০২৬

সম্পাদকৰ মেজৰ পৰা...

# সফলতা

কোৰা হয় সফলতাৰ মাপকাঠী এবাৰৰ বিফলতাই নিৰ্ধাৰণ নকৰে। সফলতা লাভ কৰিবলৈ লাগিব নেৰানেপেৰা প্ৰচেষ্টা। আকৌ আমাৰ বাবে যি সফলতা সি আনৰ চকুত সুখৰ আকৰ নহ'বও পাৰে। সেয়েহে সফলতাৰ প্ৰতিযোগিতাত আনক অনুকৰণ নকৰি নিজৰ ঈপ্সিত লক্ষ্যত উপনীত হ'বলৈ যত্নপৰ হ'ব লাগে। কাৰণ সফলতাৰ অৰ্থই হ'ল প্ৰত্যাশাৰ এটি নিৰ্দিষ্ট পৰিসৰ পূৰণৰ অৱস্থা বা চৰ্ত। এই প্ৰত্যাশা পূৰণ কৰিবলৈ যাওঁতে বহুত কষ্ট কৰিবলগীয়া হয়, ধৈৰ্য ধৰিবলগীয়া হয়। সফলতা অকল প্ৰাপ্তিকেন্দ্ৰিক নহয়, ই গোটেই যাত্ৰাপথকেই সামৰি লয় আৰু আমি তাৰ পৰা কি শিকিলো সেইটোহে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হয়। এই পথত লাগিব নিজৰ ওপৰত বিশ্বাস, কাৰণ আত্মবিশ্বাসেই সফলতাৰ মূল ভেটি। নিজৰ প্ৰতি হীন মনোভাবে সফলতাৰ বাটত হেঙাৰ হৈ থিয় দিয়ে। কেতিয়াবা নিজৰ ওপৰত বিশ্বাস হেৰুৱালে অতীতত লাভ কৰা সৰু-ডাঙৰ সাফল্যবোৰৰ কথা মনত পেলাব লাগে যাৰ দ্বাৰা উৎসাহিত হ'ব পৰা যায়। সফলতা লাভৰ বাবে নিজৰ চাৰিওকাষে এটা সুস্থ পৰিৱেশ গঢ়ি তোলাটো বহুত জৰুৰী। এটা ধনাত্মক বাতাৱৰণেহে আমাক ভৱিষ্যতৰ যুঁজখনৰ বাবে সাজু কৰি তুলিব পাৰে। মানুহৰ নেতিবাচক কথা-বতৰা বা চিন্তাৰ পৰা দূৰত থাকি নিজৰ ইতিবাচক ভাবধাৰাৰে কৰ্মত ব্ৰতী হোৱাক প্ৰাধান্য দিব লাগে। নিজক উৎসাহিত কৰা বন্ধুবৰ্গৰ সৈতে সম্পৰ্ক কৰা উচিত। ইতিবাচক ভাবধাৰা বজায় ৰখাত আমাৰ মন-মগজুৱে বিশেষ ভূমিকা গ্ৰহণ কৰে। ইয়াক নিয়ন্ত্ৰণ ৰখাৰ ক্ষেত্ৰত যোগাসন, ধ্যান আদিয়ে সহায় কৰে। এনেদৰে নিজৰ মন-মস্তিষ্কৰ ওপৰত নিয়ন্ত্ৰণ ৰাখি কৰ্মত ব্ৰতী হ'লে উন্নতিৰ দিশত ধাৱমান হ'ব পাৰি। কোনো কামত বাৰে বাৰে বিফল হ'লেও ধৈৰ্য ধৰি কামটোত লাগি থাকিলেহে সফলতা আহৰণ কৰিব পাৰি। সফলতা এদিনৰ আৰ্জিত নহয়, বহুদিনৰ প্ৰচেষ্টা ইয়াৰ লগত জড়িত থাকে। সেয়েহে নিজক ইমান দৃঢ় কৰি ল'ব লাগে যে কিবা কাৰণত মনে বিচৰা ধৰণে লক্ষ্যত উপনীত হ'ব নোৱাৰিলেও অন্য দিশে ন উৎসাহেৰে গতি কৰিব পৰা যায়। আন এক উপায় হ'ল নিজৰ ভুলৰ পৰা শিকা ঃ ভুলবোৰৰ পৰা শিকিব নোৱাৰিলে কেতিয়াও বিকাশ আৰু সমৃদ্ধি লাভ কৰিব নোৱাৰি। সফলতা আহৰণৰ ওপৰত নিজ নিজ ক্ষেত্ৰত বিশেষভাৱে সফল কেইজনমান ব্যক্তিয়ে কি মন্তব্য আগবঢ়াইছে জানো আহক...

ঃ 'বিফলতা সফলতাৰ পথত যাত্ৰা আৰম্ভ কৰাৰ এক সুযোগ; কিন্তু এইবাৰ আগতকৈ বেছি বুদ্ধিমত্তাৰে'— হেনৰি ফৰ্ড

ঃ 'বিফলতাৰ ভয়তকৈ সফলতা সদায় বিশাল হোৱা উচিত'— বিল কচবি

ঃ 'তুমি নিজৰ সক্ষমতাৰ ওপৰত সন্দেহ কৰাৰ মুহূৰ্তটোতেই নিজে কিবা কৰিব পৰা সুযোগৰ অন্ত পেলালা'— জে এম বেৰি, পেটাৰ পেন

ঃ 'মই বিফলতা গ্ৰহণ কৰিব পাৰো, কাৰণ সকলোৱে ক'ৰবাত নহয় ক'ৰবাত বিফল হয়; কিন্তু মই চেষ্টা ত্যাগ দিয়াটো গ্ৰহণ কৰিব নোৱাৰো'— মাইকেল জোৰ্দান

ঃ 'কৃতকাৰ্যতা সুখপ্ৰাপ্তিৰ চাবিকাঠী নহয়, সুখহে কৃতকাৰ্যতা প্ৰাপ্তিৰ চাবিকাঠী, কৰি থকা কামটোক ভাল পালেহে কৃতকাৰ্যতা লাভ কৰিব পৰা যায়'— এলবাৰ্ট চোৱাইটজাৰ

ঃ 'কৃতকাৰ্যতা সকলো নহয়, বিফলতাই পৰিসমাপ্তি নহয়, এয়া আগবাঢ়ি গৈ থকাৰ বাবে এক উৎসাহ'— ৱিনষ্টন চাৰ্চিল

ঃ 'সফল ব্যক্তি সেইজনেই যিয়ে তেওঁৰ সফলতাৰ ভেটি আনে তেওঁলৈ দলিওৱা ইটাৰে গঢ়ে'— ডেভিদ ব্ৰিনক্লি

এনে ধৰণৰ অনুপ্ৰেৰণামূলক মন্তব্যই আমাক সফলতাৰ ৰাস্তাত গতি কৰি থাকিবলৈ প্ৰেৰণা যোগায়। সহজভাৱে বিশ্লেষণ কৰি চালে মানসিক, সামাজিক আৰু শাৰীৰিক দিশত সন্তুলন কৰি চলাতেই সফলতা নিহিত হৈ আছে।



# নামঘোষা ঃ ভক্তি, জ্ঞান আৰু মানৱীয় চেতনাৰ প্ৰাসংগিকতা

নলিনী ৰঞ্জন ভূঞা

অসমীয়া জাতিৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ইতিহাসত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ অৱদান যুগান্তকাৰী । শংকৰদেৱে প্ৰতিষ্ঠা কৰা একশৰণ নামধৰ্মক মাধৱদেৱে গভীৰ ভক্তি, দাৰ্শনিক উপলব্ধি, কাব্যিক সৌন্দৰ্য আৰু মানৱীয় চেতনাৰে অধিক সমৃদ্ধ কৰি তুলিছিল। এই সাধনাৰ অন্যতম শ্ৰেষ্ঠ কীৰ্তি হৈছে মাধৱদেৱৰ ৰচিত 'নামঘোষা'। মুঠ এহাজাৰটা মূল ঘোষা আৰু সামৰণিৰ প্ৰকাশ। মানুহে নিজৰ সীমাবদ্ধতা উপলব্ধি কৰি অসীম পৰম সত্তাৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰাটোৱেই এই ভক্তিদৰ্শনৰ মূল তাৎপৰ্য। মাধৱদেৱৰ এই অনন্য আত্ম-নিবেদন আৰু দাস্যভাব নামঘোষাত এনেদৰে প্ৰকাশ পাইছে—

'মঞি দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ ।।' ১৮৩

*নামঘোষাক কেৱল এখন ধৰ্মগ্ৰন্থ বুলি চিহ্নিত কৰিলে ইয়াৰ ব্যাপকতা যথাযথভাৱে প্ৰকাশ নাপায়। ই একে সময়তে ভক্তিৰসৰ মহাগ্ৰন্থ, বেদান্তীয় আৰু ভাগৱতীয় চিন্তাৰ সহজ প্ৰকাশ, নৈতিক জীৱনৰ পথ প্ৰদৰ্শক, মানৱতাবাদী চেতনাৰ আধাৰ আৰু অসমীয়া ভাষা-সাহিত্যৰ এক অমূল্য সম্পদ। নামঘোষাক মহাপুৰুষীয়া ধৰ্মৰ অন্যতম প্ৰধান গ্ৰন্থ হিচাপে অভিহিত কৰি ইয়াত একশৰণ নামধৰ্মৰ সাৰ-মৰ্ম আৰু মাধৱদেৱৰ আধ্যাত্মিক অভিজ্ঞতাৰ মহত্তম অভিব্যক্তি প্ৰকাশ পাইছে। সেয়েহে নামঘোষাৰ তাৎপৰ্য কেৱল ধৰ্মীয় সাধনাৰ মাজতে সীমাবদ্ধ নহয়। ই অসমীয়া সমাজৰ নৈতিক, সামাজিক আৰু সাংস্কৃতিক চেতনাৰ সৈতেও গভীৰভাৱে সংযুক্ত। নামঘোষাৰ কেন্দ্ৰীয় তত্ত্ব ভক্তি। কিন্তু এই ভক্তি অন্ধবিশ্বাস বা কেৱল বাহ্যিক আচাৰ-অনুষ্ঠানৰ ভক্তি নহয়। ই অন্তৰৰ একান্ত নিষ্ঠা, আত্মসমৰ্পণ, প্ৰেম আৰু পৰম সত্তাৰ প্ৰতি গভীৰ বিশ্বাসৰ প্ৰকাশ। নামঘোষা শ্ৰৱণ আৰু কীৰ্তনৰ দ্বাৰা ভক্তই নিজৰ অহংকাৰ, লোভ, মোহ আৰু স্বাৰ্থপৰতা অতিক্ৰম কৰি পৰম পুৰুষৰ চৰণত নিজকে সমৰ্পণ কৰে।*

ঘোষাকে ধৰি সৰ্বমুঠ ১০০১ টা ঘোষাৰ অপূৰ্ব সমাহাৰ হোৱা বাবে এই গ্ৰন্থখন 'হেজাৰী ঘোষা' নামেৰেও সুপৰিচিত।

নামঘোষাক কেৱল এখন ধৰ্মগ্ৰন্থ বুলি চিহ্নিত কৰিলে ইয়াৰ ব্যাপকতা যথাযথভাৱে প্ৰকাশ নাপায়। ই একে সময়তে ভক্তিৰসৰ মহাগ্ৰন্থ, বেদান্তীয় আৰু ভাগৱতীয় চিন্তাৰ সহজ প্ৰকাশ, নৈতিক জীৱনৰ পথ প্ৰদৰ্শক, মানৱতাবাদী চেতনাৰ আধাৰ আৰু অসমীয়া ভাষা-সাহিত্যৰ এক অমূল্য সম্পদ। নামঘোষাক মহাপুৰুষীয়া ধৰ্মৰ অন্যতম প্ৰধান গ্ৰন্থ হিচাপে অভিহিত কৰি ইয়াত একশৰণ নামধৰ্মৰ সাৰ-মৰ্ম আৰু মাধৱদেৱৰ আধ্যাত্মিক অভিজ্ঞতাৰ মহত্তম অভিব্যক্তি প্ৰকাশ পাইছে। সেয়েহে নামঘোষাৰ তাৎপৰ্য কেৱল ধৰ্মীয় সাধনাৰ মাজতে সীমাবদ্ধ নহয়। ই অসমীয়া সমাজৰ নৈতিক, সামাজিক আৰু সাংস্কৃতিক চেতনাৰ সৈতেও গভীৰভাৱে সংযুক্ত।

নামঘোষাৰ কেন্দ্ৰীয় তত্ত্ব ভক্তি। কিন্তু এই ভক্তি অন্ধবিশ্বাস বা কেৱল বাহ্যিক আচাৰ-অনুষ্ঠানৰ ভক্তি নহয়। ই অন্তৰৰ একান্ত নিষ্ঠা, আত্মসমৰ্পণ, প্ৰেম আৰু পৰম সত্তাৰ প্ৰতি গভীৰ বিশ্বাসৰ প্ৰকাশ। নামঘোষা শ্ৰৱণ আৰু কীৰ্তনৰ দ্বাৰা ভক্তই নিজৰ অহংকাৰ, লোভ, মোহ আৰু স্বাৰ্থপৰতা অতিক্ৰম কৰি পৰম পুৰুষৰ চৰণত নিজকে সমৰ্পণ কৰে। এই আত্মসমৰ্পণৰ মাজেৰেই অন্তৰত শান্তি, শুদ্ধতা আৰু আত্মিক উন্নতিৰ পথ মুকলি হয়। মাধৱদেৱৰ ভক্তিত দাস্যভাব বিশেষভাৱে লক্ষণীয়। ইয়াত ভক্তই নিজকে পৰম ঈশ্বৰৰ দাস বুলি গণ্য কৰে আৰু ঈশ্বৰক একমাত্ৰ আশ্ৰয় হিচাপে গ্ৰহণ কৰে। এই দীনতা কোনো হীনমন্যতাৰ প্ৰকাশ নহয়। বৰং ই অহংকাৰমুক্ত আত্মসচেতনতাৰ

এই ঘোষাত ভক্তই নিজৰ ক্ষুদ্ৰ অহংকাৰ আৰু সীমাবদ্ধতাক স্বীকাৰ কৰি ভগৱন্তৰ কৃপাৰ ওপৰত সম্পূৰ্ণ ভাৰসা ৰাখিছে। নিজকে সংসাৰৰ বন্ধনৰ পৰা মুক্ত কৰিবলৈ ঈশ্বৰৰ 'নাম'ক একমাত্ৰ পথ হিচাপে স্বীকাৰ কৰাটোৱেই হৈছে এই আত্ম-নিবেদনৰ মূল উৎস।

ভক্তিৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে নাম-মাহাত্ম্য। ঈশ্বৰৰ নাম শ্ৰৱণ, কীৰ্তন আৰু স্মৰণৰ জৰিয়তে মানুহে অন্তৰ শুদ্ধ কৰিব পাৰে— এই বিশ্বাস একশৰণ নামধৰ্মৰ অন্যতম মূল আধাৰ। জটিল যজ্ঞ, কঠিন তপস্যা বা আড়ম্বৰপূৰ্ণ আচাৰ-অনুষ্ঠানৰ পৰিৱৰ্তে আন্তৰিকতাৰে ঈশ্বৰৰ নাম গ্ৰহণক সহজ আৰু সৰ্বসাধাৰণৰ বাবে উপলব্ধ সাধনাৰূপে প্ৰতিষ্ঠা কৰাটোৱেই নামধৰ্মৰ এক বিশেষ বৈশিষ্ট্য। ইয়াৰ ফলত আধ্যাত্মিক সাধনা কোনো বিশেষ শ্ৰেণী বা পণ্ডিত সমাজৰ একচেটিয়া অধিকাৰ হৈ নাথাকি সাধাৰণ মানুহৰ জীৱনৰ অংশ হৈ পৰিছিল।

শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত একশৰণ নামধৰ্মৰ মূল তত্ত্ব হৈছে— এক পৰম ঈশ্বৰৰ চৰণত একান্তভাৱে শৰণ গ্ৰহণ। শ্ৰীকৃষ্ণক পৰম পুৰুষ হিচাপে স্বীকাৰ কৰি তেওঁৰ নাম, গুণ, লীলা আৰু ভক্তিৰ চৰ্চাক আধ্যাত্মিক জীৱনৰ কেন্দ্ৰত স্থাপন কৰাই হৈছে এই ধৰ্মৰ মূল আধাৰ। মাধৱদেৱে নামঘোষাৰ জৰিয়তে এই তত্ত্বক অধিক গভীৰ, হৃদয়স্পৰ্শী আৰু সহজবোধ্য ৰূপ দিছে। একশৰণৰ গভীৰ অৰ্থ কেৱল কোনো ধৰ্মীয় আচাৰ পালন কৰাত সীমাবদ্ধ নহয়। ইয়াৰ অন্তৰ্নিহিত তাৎপৰ্য হৈছে জীৱনৰ অসংখ্য মোহ, আসক্তি, অহংকাৰ আৰু মিছা নিৰ্ভৰতা অতিক্ৰম কৰি পৰম সত্যক জীৱনৰ কেন্দ্ৰত স্থাপন কৰা। সংসাৰৰ

■ নৱম পৃষ্ঠাত

*জীৱনৰ এক দীৰ্ঘসময় ধৰি বিধান পৰিষদৰ সদস্য (১৯৪৭ চনত) ছোভিয়েট ৰাছিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত, স্বাধীন ভাৰতৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি (১৯৫১ চনত) আৰু দ্বিতীয় ৰাষ্ট্ৰপতি (১৯৬২ চনৰ পৰা ১৯৬৭ চনলৈ) আদি ৰাজনীতিৰ বিভিন্ন সৰ্বোচ্চ পদত অধিষ্ঠিত হৈ অতি সফলতাৰে কাৰ্যক্ৰমনিকা চলাই যোৱা ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন ডাঙৰীয়াই নিজকে এজন আদৰ্শ শিক্ষক হিচাপে পৰিচয় দিহে আত্মগৌৰৱ অনুভৱ কৰিছিল আৰু তেওঁৰ সদিচ্ছাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেওঁৰ জন্মদিনটোক 'শিক্ষক দিৱস' হিচাপে উদ্‌যাপন কৰি অহা হৈছে। ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে ১৯০৯ চনৰ এপ্ৰিল মাহত চেন্নাইৰ প্ৰেছিডেন্সি কলেজত দৰ্শন বিভাগৰ সহকাৰী অধ্যাপকৰূপে নিযুক্তি লাভ কৰে। ১৯১৮ চনত তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। তাৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ছাৰ আশুতোষ মুখোপাধ্যায়ৰ আমন্ত্ৰণক্ৰমে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে ১৯২১ চনত দৰ্শন বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। সেই সময়ত ১৯২৬ চনত বহা ব্ৰিটিছ সাম্ৰাজ্যৰ 'বিশ্ববিদ্যালয় কংগ্ৰেছলৈ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰি লণ্ডন আৰু মানচেষ্টাৰ কলেজত বক্তৃতা প্ৰদান কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল। ১৯২৯ চনত আকৌ লণ্ডন আৰু অক্সফৰ্ড বিশ্বিদ্যালয়ৰ পৰা আমন্ত্ৰণ পাই তেওঁ 'হিবাৰ্ট' বক্তৃতালানি প্ৰদান কৰিছিল।*

# ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জীৱন-দৰ্শন আৰু 'শিক্ষক দিৱস'ৰ প্ৰাসংগিকতা



নাছিৰ আহমেদ

১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত তামিলনাডুৰ তিৰুতানি নামৰ গাঁৱত জন্মগ্ৰহণ কৰা ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি, শিক্ষাবিদ, বিশ্ববৰেণ্য দাৰ্শনিক, পণ্ডিত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্মদিনটোক ভাৰতৰ সকলো প্ৰান্ততে (বিশেষকৈ শিক্ষানুষ্ঠানসমূহত) 'শিক্ষক দিৱস' হিচাপে যথাযথ গাম্ভীৰ্যপূৰ্ণভাৱে চৰকাৰী বা বেচৰকাৰী সংস্থাসমূহৰ পৃষ্ঠপোষকতাত প্ৰতি বছৰে পালন কৰা হয়।

জীৱনৰ এক দীৰ্ঘসময় ধৰি বিধান পৰিষদৰ সদস্য (১৯৪৭ চনত) ছোভিয়েট ৰাছিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত, স্বাধীন ভাৰতৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি (১৯৫১ চনত) আৰু দ্বিতীয় ৰাষ্ট্ৰপতি (১৯৬২ চনৰ পৰা ১৯৬৭ চনলৈ) আদি ৰাজনীতিৰ বিভিন্ন সৰ্বোচ্চ পদত অধিষ্ঠিত হৈ অতি সফলতাৰে কাৰ্যক্ৰমনিকা চলাই যোৱা ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন ডাঙৰীয়াই নিজকে এজন আদৰ্শ শিক্ষক হিচাপে পৰিচয় দিহে আত্মগৌৰৱ অনুভৱ কৰিছিল আৰু তেওঁৰ সদিচ্ছাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেওঁৰ জন্মদিনটোক 'শিক্ষক দিৱস' হিচাপে উদ্‌যাপন কৰি অহা হৈছে।

ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে ১৯০৯ চনৰ এপ্ৰিল মাহত চেন্নাইৰ প্ৰেছিডেন্সি কলেজত দৰ্শন বিভাগৰ সহকাৰী অধ্যাপকৰূপে নিযুক্তি লাভ কৰে। ১৯১৮ চনত তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। তাৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ছাৰ আশুতোষ মুখোপাধ্যায়ৰ আমন্ত্ৰণক্ৰমে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে ১৯২১ চনত দৰ্শন বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। সেই সময়ত ১৯২৬ চনত বহা ব্ৰিটিছ সাম্ৰাজ্যৰ 'বিশ্ববিদ্যালয় কংগ্ৰেছলৈ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰি লণ্ডন আৰু মানচেষ্টাৰ কলেজত বক্তৃতা প্ৰদান কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল। ১৯২৯ চনত আকৌ লণ্ডন আৰু অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা আমন্ত্ৰণ পাই তেওঁ 'হিবাৰ্ট' বক্তৃতালানি প্ৰদান কৰিছিল। ১৯৩১ চনত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৩৬ চনৰ পৰা ১৯৩৯ চনলৈকে তেওঁ অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ 'স্পেল্ডিং প্ৰফেছৰ অব্ ইষ্টাৰ্ন ৰিলিজিঅন' হিচাপে শিক্ষাদান কাৰ্যত ব্ৰতী হয়। ইয়াৰ পিছত তেওঁ ১৯৩৯ আৰু ১৯৪০ চনত কাশী বিশ্ববিদ্যালয় আৰু অক্সফৰ্ড বিশ্ববিদ্যালয়ত দ্বৈতভাৱে নিযুক্তি লাভ কৰিছিল আৰু ১৯৫৩ চনৰ পৰা ১৯৬২ চনলৈ কাশী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।



তাৰ উপৰি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে দক্ষিণ আফ্ৰিকা, চীন, ছোভিয়েট ৰাছিয়া আদি পৃথিৱীৰ বিভিন্ন দেশলৈ গৈ তেওঁৰ মহামূল্যৱান বক্তৃতা প্ৰদান কৰিছিল।

তদুপৰি, বিভিন্ন সময়ত বিশ্ববিদ্যালয়ত পাঠদান বা বক্তৃতাসমূহ সংকলিত কৰি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে উচ্চ দাৰ্শনিক সমৃদ্ধ মহামূল্যৱান গ্ৰন্থ কৰিছিল।

তেওঁ ১৯১৮ চনত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন-দৰ্শনৰ ভিত্তিত ৰচনা কৰে 'ৰবীন্দ্ৰনাথৰ দৰ্শন'। সেই সময়ত তেওঁ এখন গ্ৰন্থ ৰচনা কৰে 'সমসাময়িক দৰ্শনত ধৰ্মৰ প্ৰভাৱ'। তেওঁ ভাৰতৰ হিন্দু সভ্যতা, হিন্দুসকলৰ উৎপত্তি সম্পৰ্কে ব্যাখ্যা কৰি ৰচনা কৰে 'The Hindu view of life'। উক্ত গ্ৰন্থত তেওঁ মন্তব্য আগবঢ়ায় যে At the outset one is confronted by the difficulty of defining what Hinduism is. To many it seems to be a name without any content. এই ভুল ধাৰণা শুদ্ধ কৰি দি কৈছিল যে বৰ্তমান হিন্দুধৰ্ম এক 'Religion' লৈ পৰ্যবসিত হৈছে যদিও ই জীৱন ধাৰণৰ প্ৰণালীহে (way of life)।

তেওঁ লিখি উলিওৱা 'কল্কি অব্ দা ফিউচাৰ অব্ চিভিলাইজেচন' (১৯২৮ চন)ত উল্লেখ কৰিছে যে বিজ্ঞানে মানুহৰ উপকাৰ কৰে যদিও মন আৰু আত্মাৰ বিকাশ সাধন নকৰে। তাৰ বাবে প্ৰয়োজন হ'ল ধৰ্ম আৰু দৰ্শন।

'An idealist view of life' গ্ৰন্থত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে ভাৰতৰ আৰ্য সভ্যতাৰ বিকশিত ৰূপ ধুনীয়াকৈ ফুটাই তুলিছে।

তেওঁ অক্সফৰ্ড বিশ্ববিদ্যালয়ত দান কৰা বক্তৃতালানিৰ সংকলনেই হ'ল 'East and West in Religion'। এই গ্ৰন্থখনৰ মূল বক্তব্য হ'ল, ন্যায়-নীতি আচৰণ কৰা, দয়া-প্ৰেমৰ অনুশীলন কৰা, সহযাত্ৰী মানৱৰ সুখ দৰ্শন কৰা এয়াই প্ৰকৃত ধৰ্ম। তেওঁ চীন দেশলৈ গৈ কৰা বক্তৃতালানিৰ সংকলনেই হ'ল, 'India and China. তেওঁ নেহৰুৰ বিষয়ে লিখা গ্ৰন্থ On Nehru' ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত ১৯৬৫ চনত প্ৰকাশ হয়।

'Religion on changing world'ত বুদ্ধদেৱৰ দাৰ্শনিক তত্ত্বৰ অন্তৰ্নিহিত সত্য দাঙি ধৰিছে। তেওঁ 'Eastern Religion and western Thought'ত গ্ৰন্থত উল্লেখ কৰিছে যে বুদ্ধই এজন অবৈজ্ঞানিক তাৰ্কিকৰ দৰে মানুহৰ হৃদয় জয় কৰিবলৈ যোৱাই নাই, যীচুৰ দৰে সত্য আৰু ত্যাগ অনুশীলন কৰি মানুহলৈ কঢ়িয়াই আনিছে শান্তি আৰু অহিংসাৰ বাণী। ইছলামৰ বাণীয়ে ভাৰতত শান্তিৰ বাতাৱৰণ সৃষ্টি কৰা বুলিও উল্লেখ কৰিছে।

তেওঁ ৰচনা কৰা মহৎ গ্ৰন্থ 'Towards a new World'ত দৃঢ়তাৰে ঘোষণা কৰিছে যে 'Intelectual authority is superior to inherited authority' অৰ্থাৎ পৰম্পৰাগত কৰ্তৃত্বতকৈ বৌদ্ধিক কৰ্তৃত্বক সদায় আগস্থান দিব পাৰি।

'Spirit ■ ১০ পৃষ্ঠাত

# নীৰস নীৰৱতা

**শৈলেন কুমাৰ**

অনুভৱৰ দলিচাত
পৃষ্ঠা লুটিয়াই চাই
অকপট স্বীকাৰোক্তি
নীৰস নীৰৱতা সৰ্বব্যাপী দুঃস্বপ্ন


মন মগজু দুখিত
অৰ্থলোভত মগন
স্বচলতা এক ভেঙুচালি
আঁতৰাই চোৱা যদি দৰ্পণ

ৰজাৰ উৎপীড়ন
বলিয়া প্ৰজাগণ
ফোঁপলা স্বৰূপ ঢাকি
কৰে স্বয়ম্ভু শক্তিৰ জয়গান

নিৰীহসকলৰ আৰ্তনাদ
মিছা অহংকাৰত মচগুল
এলেহুৱা জাতিৰ অন্তিম পন্থা
উৰুৱাই উন্নয়নৰ জয়ধ্বজা

জাতি আজি বিকলাংগ
যুৱশক্তি নিচাসক্ত
জাতিৰ নায়কৰ পাতি শ্ৰাদ্ধ
বহিৰাগতৰ হাতত সকলো আবদ্ধ

কেউদিশে নীৰস নীৰৱতা
লাচিতৰ দেশ হ'ল পৰাস্ত
যিদিনাখনে আঁতৰিব
বন্দিত্বৰ আঁৰকাপোৰ
বিচাৰি ফুৰিবা নীৰস নীৰৱতা।



# তোমাৰ হাঁহি

**বলীন বৰদলৈ**

তোমাৰ মায়াভৰা এটা হাঁহিত
মই মোৰ সমস্ত পৃথিৱীৰ সুখ বিচাৰি পাওঁ
তোমাৰ বিষাদত জিলিকি উঠে জোনাকী ৰ'দ
আন্ধাৰত আকণ্ঠ ডুবি
নিশাৰ তৰা গণি গণি ছন্দ চাই
জীৱনৰ প্ৰতিটো ক্ষণৰ খতিয়ান লওঁ।
কত যুগ কত পুৰুষ
কত সৃষ্টি, সাধনাৰ খোৰাক তুমি
পুৰুষৰ পৰা পুৰুষলৈ
যুগৰ পৰা যুগান্তৰলৈ
বোৱাই আনা নৱ চেতনাৰ ধল
উচ্ছল হৈ পৰক সুখ-শান্তি সমৃদ্ধিৰে
জীৱনটো, দুখৰ পৰিৱৰ্তে সুখ হওক
জীৱনৰ আন এটা নাম।
তোমাৰ হাঁহিৰ ৰাগিত মাতাল হৈ পৰো
কেতিয়াবা মই সুৰাসক্তজনৰ দৰেই,
বাজিবনে মোৰ সমাধিত তোমাৰ
হাঁহি বীণাৰ সুমধুৰ তান, দি যাবনে তোমাৰ
হাঁহিৰে হৃদয়, দেহৰ প্ৰতিটো কোণত
মৃদুময় অমিয়া ঝংকাৰ।





# ম'বাইল


**মৰমী আহমেদ**

শুনাচোন শুনা কণমানিহঁত
ম'বাইল কমকৈ চাবা
যদিহে নপঢ়া এই বয়সত
ভৱিষ্যতলৈ ঠগ খাবা

আকৌ কৈছো দেই কণমানিহঁত
গুৰুত্ব সহকাৰে ল'বা
যদিহে কৰা তোমালোকে দ্বিমত
এদিন নিজেই কান্দিবা

বুজিছানে বাৰু কণমানিহঁত
মই কৈ থকা কথাখিনি
এতিয়া যদি নিদিয়া সহমত
লিখিবা দুখৰ কাহিনী

মনত আছে নে কণমানিহঁত
এতিয়ালৈকে কি কি ক'লো
ভালকৈ যদি নাৰাখা হৃদয়ত
কান্দিবা ৰসাতলে গ'লো।।





# ভূপেন্দ্ৰ সোঁৱৰণ

**কথা ঃ সোণালী কেওট ভৰালী**
**সুৰ ঃ ৰূপালী কেওট নাথ**

হে বিশ্ব বৰেণ্য
তুমি চিৰ অনন্য
তোমাৰ গীতৰ কথা সুৰেৰে
হেজাৰ শ্ৰোতা উদ্বুদ্ধ
প্ৰতি দিন মাহ ঋতুতে
পান কৰো তোমাৰ সুধাকণ্ঠ
তুমিয়েই বিশ্বকণ্ঠ

তোমাৰ বজ্ৰ ভাষাতে পাওঁ
প্ৰচণ্ড ধুমুহাৰ মহাশক্তি
মানৱপ্ৰেমৰ অমিয়া গীতিমালা
তোমাৰেই যুগজয়ী সৃষ্টি
দানৱৰ পৰা পাওঁ মুক্তি।

শংকৰ মাধৱ আজান জ্যোতিৰ
বিষ্ণুৰ অমূল্য আদৰ্শেৰে তুমি
দেখুৱালা সুৰীয়া বাট
মহামিলনৰ গীত গাই গাই
ৰহণীয়া কৃষ্টিৰ বাটেৰে
বোৱালা জ্যোতি প্ৰপাত।।

আকাশৰ পূৰ্ণ বিশালতা
তোমাৰ উদাত্ত কণ্ঠতে পাওঁ
নতুন সমাজ গঢ়িবলৈ যাওঁ

গানৰ দেৱতা তুমি
সদা পূজো তোমাক আমি
জাতিক জগোৱা গীত গালা তুমি
সমূহীয়া কণ্ঠৰে গাঁও আমি।।

# ক্ষমতাৰ বজাৰত জীৱন আজি সস্তীয়া

**আয়শা ছিদ্দিকা**

আজিৰ ক্ষমতাৰ খলকনিৰ বজাৰত
নাই প্ৰাণৰ কোনো মূল্য নাই
ই অমূল্য নহয় মূল্যহীন হৈ পৰিছে
যিয়ে যেতিয়া যেনেকৈ পাৰে
পিটিছে, কাটিছে, গুলিয়াইছে
আৰু যে কত কি কাহিনীহুূ
ৰহস্যহু সকলো ৰহস্য
নেকি সকলো ক্ষমতাৰ অপশক্তি
কঠিন দেৱালৰ বাধা নেওচি
সেয়া যে বুজি উঠা দুৰ্বাৰ।
উচ্ছেদ, বিদেশী, অচিনাকিৰ সুৰত
দুখীয়া প্ৰাণৰ ওপৰত জুলুম
আহহু কিমান মূল্যহীন প্ৰাণ।
হাতৰ ৰেখ নগজা হাতত
কলমৰ বিকল্প বন্দুক তুলি দিয়া
ভৱিষ্যতৰ কিমান চিন্তা আৰু
প্ৰাণৰ কিমান মায়া
সঁচাই জীৱন মূল্যহীন।
ফেৰেস্তা গণ্য কৰা ডাক্তৰো আজি
খামখেয়ালিত মগ্ন নিজৰ বিলাসত
তাতে কোমল দেহ নিথৰ হওক কিম্বা
অন্য কোনো চিহ্নহীন দেহ
ভ্ৰূক্ষেপ কোনে বাৰু কৰিব
ক্ষমতাৰ দপদপনিৰ বজাৰত
প্ৰাণ যে সস্তীয়া মূল্যহীন।
পুত্ৰই পিতাৰ, ঘৈণীয়েকে গিৰিয়েকৰ
মাকে নিজৰ সন্তানৰ, সন্তানে মাকৰ
যিয়ে যত যেনেকৈ পাৰে প্ৰাণ কাঢ়িছে
কাৰণ আজিৰ বজাৰত প্ৰাণ সস্তীয়া মূল্যহীন।
ভূপেনদাৰ মানুহে মানুহৰ বাবে
গীতটো এতিয়া নতুনকৈ গাবৰ হ'ল
মানুহে ক্ষমতাৰ বাবে
ক্ষমতা থাকিলে আন একোকে নালাগে
কিয়নো ক্ষমতাৰ বজাৰত আজি
জীৱনৰ দৰ সস্তীয়া মূল্যহীন।

# বুকুৰ জুই

**টোলন তছা**

কোনোবা বসন্ত বা শৰতৰ বতৰত
পথভ্ৰষ্ট শিলবোৰৰ সান্নিধ্যত
সকলোৱে হৈ পৰে এদিন
একোটা শিল আৱেগ অনুভূতিহীন।

কালধুমুহাবোৰ আহে আৰু যায়
বুকুখন খহায় চকুবোৰ গলায়
দিগন্ত বিয়পা ৰাতিবোৰেও
বিনিদ্ৰ ৰজনী কটায়।

বহু যোজন দূৰৈত বাহৰ পাতি
বুকুৰ জুইকুৰা নুমাব পৰা হ'লে
সঞ্জীৱনী সুধাৰ আশাত ব্যাকুল হিয়াত
হুমুনিয়াহবোৰৰ চিতাগ্নি নজ্বলিলে হয় প্ৰতিদিনে।

# কৃষ্ণৰ বাণী ঃ ধৰ্ম, কৰ্ম আৰু জীৱনৰ দিশ

জীৱনজ্যোতি গগৈ

> “কৃষ্ণৰ জীৱনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে তেওঁৰ নেতৃত্বগুণ। মহাভাৰতৰ ঘটনাৱলীত কৃষ্ণই এক অসাধাৰণ নেতা হিচাপে ভূমিকা পালন কৰিছিল। তেওঁ কেৱল যুদ্ধৰ সময়তে নহয়, যুদ্ধৰ আগতেও বহু প্ৰচেষ্টা কৰিছিল যাতে যুদ্ধ এৰাব পৰা যায়। তেওঁ কৌৰৱসকলৰ সৈতে আলোচনা কৰিছিল আৰু শান্তিৰ প্ৰস্তাৱো আগবঢ়াইছিল। কিন্তু যেতিয়া সকলো পথ বন্ধ হৈ গ'ল, তেতিয়া তেওঁ ধৰ্মৰ পক্ষত থিয় দিয়া উচিত বুলি গণ্য কৰিলে। ইয়াৰ পৰা আমি শিকো যে সত্য আৰু ন্যায়ৰ ৰক্ষাৰ বাবে কেতিয়াবা কঠিন সিদ্ধান্ত ল'ব লাগিব পাৰে। কৃষ্ণৰ জীৱনৰ আন এটা তাৎপৰ্যপূৰ্ণ অধ্যায় হৈছে তেওঁৰ কূটনৈতিক বুদ্ধিমত্তা। মহাভাৰতৰ সময়ত তেওঁ কেবল যুদ্ধক্ষেত্ৰত উপদেশ দিয়াই সীমাবদ্ধ নাছিল; তেওঁ ৰাজনৈতিক ক্ষেত্ৰতো অসাধাৰণ দক্ষতা দেখুৱাইছিল। কৌৰৱ আৰু পাণ্ডৱৰ মাজত সংঘাত সৃষ্টি হোৱাৰ পিছত কৃষ্ণই শান্তি স্থাপনৰ বাবে বহু চেষ্টা কৰিছিল। তেওঁ দূত হিচাপে কৌৰৱসকলৰ সভালৈ গৈছিল আৰু যুদ্ধৰ পৰিৱৰ্তে সমাধান বিচাৰিছিল। কিন্তু যেতিয়া অহংকাৰ আৰু অধৰ্মৰ সকলো পথ বন্ধ কৰি দিলে, তেতিয়া কৃষ্ণই স্পষ্টকৈ কৈছিল যে ধৰ্মৰ জয় নিশ্চিত হ'ব লাগিব।”

মানৱ ইতিহাসত কিছুমান ব্যক্তিত্ব আছে যিসকলে কেৱল ধৰ্মীয় বা আধ্যাত্মিক ক্ষেত্ৰতে নহয়, সমগ্ৰ জীৱন দৰ্শনৰ ক্ষেত্ৰত গভীৰ প্ৰভাৱ পেলাইছে। ভগৱান কৃষ্ণ তেনে এজন অসাধাৰণ ব্যক্তিত্ব। তেওঁ কেৱল এক ধৰ্মীয় প্ৰতীক নহয়; তেওঁ জীৱনৰ দিশ নিৰ্দেশ কৰা এক মহান দাৰ্শনিক, কূটনীতিবিদ, নেতা আৰু মানৱতাৰ পথ প্ৰদৰ্শক। কৃষ্ণৰ জীৱন আৰু তেওঁৰ উপদেশসমূহৰ মাজত আমি ধৰ্ম, কৰ্ম আৰু জীৱনৰ এক সুন্দৰ সমন্বয় দেখিবলৈ পাওঁ। এই সমন্বয়েই মানুহক সঠিক পথত আগবঢ়াই নিয়ে আৰু জীৱনক অৰ্থপূৰ্ণ কৰি তোলে।

কৃষ্ণৰ জীৱন আৰম্ভ হৈছিল বহু সংকটৰ মাজত। মাতৃ দৈৱকীৰ গৰ্ভত জন্ম লোৱা কৃষ্ণক জন্মৰ লগে লগে কংসৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ গোকুললৈ লৈ যোৱা হৈছিল। এই ঘটনাই দেখুৱায় যে কৃষ্ণৰ জীৱন আৰম্ভণিৰ পৰা ধৰ্মৰ ৰক্ষাৰ সৈতে জড়িত আছিল। কংসৰ অত্যাচাৰ আৰু অধৰ্মৰ বিৰুদ্ধে কৃষ্ণৰ অস্তিত্ব এক শক্তিশালী প্ৰতিবাদ আছিল। তেওঁ দেখুৱাইছিল যে ধৰ্ম মানে কেৱল পূজা-পাঠ নহয়; ধৰ্ম মানে অন্যায়ৰ বিৰুদ্ধে দৃঢ়ভাৱে থিয় দিয়া।

শৈশৱত গোকুল আৰু বৃন্দাবনত কৃষ্ণৰ নানা লীলাৰ কথা আমি শুনো। মাখন চুৰি কৰা, গোপালক বন্ধুসকলৰ সৈতে খেলাধূলা কৰা, গোপীসকলৰ সৈতে ৰাসলীলা কৰা —এই সকলো ঘটনাই কৃষ্ণৰ শৈশৱৰ আনন্দময় দিশটো দেখুৱায়। কিন্তু এই ঘটনাবোৰৰ মাজতো এক গভীৰ শিক্ষা লুকাই আছে। কৃষ্ণই দেখুৱাইছিল যে জীৱন কেৱল দায়িত্ব আৰু কষ্টৰ মাজতে সীমাবদ্ধ নহয়; জীৱনত আনন্দ, প্ৰেম আৰু বন্ধুত্বৰো সমান গুৰুত্ব আছে। এইদৰে কৃষ্ণই জীৱনৰ সৌন্দৰ্যকো সমানভাৱে স্বীকাৰ কৰিছিল।

কৃষ্ণৰ জীৱনত ধৰ্মৰ অৰ্থ খুব গভীৰ। তেওঁৰ মতে ধৰ্ম মানে নিজৰ কৰ্তব্য পালন কৰা। মানুহে নিজৰ দায়িত্ব সৎভাৱে পালন কৰাটোৱেই হৈছে সঁচা ধৰ্ম। এই কথা বিশেষকৈ গীতাৰ মাজত স্পষ্টকৈ প্ৰকাশ পাইছে। কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ত অৰ্জুন সন্দেহ আৰু দ্বিধাত ভুগিছিল। তেওঁ নিজৰ আত্মীয়-স্বজনৰ সৈতে যুদ্ধ কৰিব লাগিব বুলি ভাবি মানসিকভাৱে ভাগি পৰিছিল। তেতিয়া কৃষ্ণই তেওঁক জীৱনৰ গভীৰ সত্যসমূহ বুজাই দিলে। কৃষ্ণই কৈছিল যে মানুহে নিজৰ কৰ্তব্য পালন কৰিব লাগিব; ফলাফলৰ বিষয়ে অধিক চিন্তা নকৰাকৈ কৰ্ম কৰি যোৱাই জীৱনৰ সঠিক পথ।

এই শিক্ষাই দেখুৱায় যে কৰ্ম জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ। কৰ্ম নকৰাকৈ মানুহৰ জীৱন অসম্পূৰ্ণ। কিন্তু কৃষ্ণই কেৱল কৰ্মৰ কথাই কোৱা নাই; তেওঁ 'নিষ্কাম কৰ্ম'ৰ কথা কৈছে। অৰ্থাৎ মানুহে নিজৰ কৰ্ম ফলৰ আশা নকৰাকৈ কৰিব লাগে। এই শিক্ষা মানৱ জীৱনৰ বাবে অতি গুৰুত্বপূৰ্ণ। আজিৰ যুগত বহু মানুহে নিজৰ কৰ্ম কেৱল লাভ বা স্বাৰ্থৰ বাবে কৰে। ফলত সমাজত অসন্তোষ আৰু সংঘাত বৃদ্ধি পায়। কিন্তু যদি মানুহে কৃষ্ণৰ শিক্ষা অনুসৰণ কৰে, তেন্তে সমাজ অধিক শান্তিপূৰ্ণ আৰু ন্যায়সংগত হ'ব পাৰে।

কৃষ্ণৰ জীৱনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে তেওঁৰ নেতৃত্বগুণ। মহাভাৰতৰ ঘটনাৱলীত কৃষ্ণই এক অসাধাৰণ নেতা হিচাপে ভূমিকা পালন কৰিছিল। তেওঁ কেৱল যুদ্ধৰ সময়তে নহয়, যুদ্ধৰ আগতেও বহু প্ৰচেষ্টা কৰিছিল যাতে যুদ্ধ এৰাব পৰা যায়। তেওঁ কৌৰৱসকলৰ সৈতে আলোচনা কৰিছিল আৰু শান্তিৰ প্ৰস্তাৱো আগবঢ়াইছিল। কিন্তু যেতিয়া সকলো পথ বন্ধ হৈ গ'ল, তেতিয়া তেওঁ ধৰ্মৰ পক্ষত থিয় দিয়া উচিত বুলি গণ্য কৰিলে। ইয়াৰ পৰা আমি শিকো যে সত্য আৰু ন্যায়ৰ ৰক্ষাৰ বাবে কেতিয়াবা কঠিন সিদ্ধান্ত ল'ব লাগিব পাৰে।

কৃষ্ণৰ জীৱনত প্ৰেমৰো বিশেষ স্থান আছে। ৰাধা আৰু গোপীসকলৰ সৈতে তেওঁৰ সম্পৰ্ক কেৱল ৰোমাণ্টিক কাহিনী নহয়; ইয়াত আধ্যাত্মিক অৰ্থও আছে। এই প্ৰেমৰ মাজত ভক্তি, আত্মসমৰ্পণ আৰু ঈশ্বৰৰ সৈতে আত্মাৰ মিলনৰ ধাৰণা প্ৰকাশ পাইছে। ভক্তি আন্দোলনৰ বহু সাধক আৰু কবিয়ে কৃষ্ণৰ এই প্ৰেমৰ দৰ্শনৰ পৰা প্ৰেৰণা লাভ কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে ভক্তি আৰু প্ৰেমৰ মাধ্যমতেই মানুহে ঈশ্বৰক উপলব্ধি কৰিব পাৰে।

কৃষ্ণৰ জীৱন দেখুৱায় যে জীৱনৰ বিভিন্ন দিশৰ মাজত সমতা বজাই ৰখাটো কিমান গুৰুত্বপূৰ্ণ। তেওঁ একে সময়তে বন্ধুৰূপে, পথ প্ৰদৰ্শকৰূপে, নেতাৰূপে আৰু ঈশ্বৰীয় শক্তিৰূপে দেখা যায়। তেওঁ যুদ্ধক্ষেত্ৰত কঠোৰ সিদ্ধান্ত ল'ব পাৰে; কিন্তু আনফালে তেওঁ গোপালকসকলৰ সৈতে আনন্দেৰে সময় অতিবাহিত কৰে। এইদৰে কৃষ্ণৰ ব্যক্তিত্বৰ মাজত জীৱনৰ সকলো দিশৰ এক সুন্দৰ মিলন দেখা যায়।

আজিৰ যুগত কৃষ্ণৰ শিক্ষা বিশেষভাৱে প্ৰাসংগিক। আধুনিক জীৱনত মানুহে বহু চাপ, প্ৰতিযোগিতা আৰু অনিশ্চয়তাৰ মাজত জীৱন অতিবাহিত কৰে। বহু সময়ত মানুহে নিজৰ উদ্দেশ্য আৰু মূল্যবোধ হেৰুৱাই পেলায়। এই পৰিস্থিতিত কৃষ্ণৰ শিক্ষা মানুহৰ বাবে পথ প্ৰদৰ্শক হ'ব পাৰে। তেওঁৰ কৰ্মদৰ্শনে মানুহক নিজৰ দায়িত্ব সৎভাৱে পালন কৰিবলৈ শিকায়। তেওঁৰ ধৰ্মদৰ্শনে মানুহক সত্য আৰু ন্যায়ৰ পথত আগবঢ়িবলৈ উৎসাহিত কৰে। আৰু তেওঁৰ জীৱন দৰ্শনে মানুহক জীৱনৰ আনন্দ আৰু সৌন্দৰ্য উপভোগ কৰিবলৈ শিকায়।

কৃষ্ণৰ শিক্ষা কেৱল ধৰ্মীয় ক্ষেত্ৰতেই সীমাবদ্ধ নহয়; ইয়াৰ সামাজিক আৰু নৈতিক গুৰুত্বও আছে। যদি সমাজত থকা মানুহে নিজৰ কৰ্তব্য সঠিকভাৱে পালন কৰে আৰু অন্যৰ কল্যাণৰ কথা ভাবে, তেন্তে সমাজ অধিক সুন্দৰ আৰু শান্তিপূৰ্ণ হ'ব পাৰে। কৃষ্ণই মানুহক আত্মবিশ্বাস, ধৈৰ্য আৰু নৈতিক শক্তিৰ শিক্ষা দিছে। এই মূল্যবোধসমূহ আজিৰ সমাজতো সমানভাৱে প্ৰয়োজনীয়। কৃষ্ণৰ জীৱন আৰু শিক্ষা মানৱ সমাজৰ বাবে এক অমূল্য সম্পদ। তেওঁৰ জীৱনত ধৰ্ম, কৰ্ম আৰু জীৱনৰ মাজত এক গভীৰ সমন্বয় দেখা যায়। এই সমন্বয়েই মানুহক সঠিক পথত আগবঢ়াই নিয়ে আৰু জীৱনক অৰ্থপূৰ্ণ কৰি তোলে। কৃষ্ণই দেখুৱাইছে যে সত্য, ন্যায়, কৰ্ম আৰু প্ৰেম— এই সকলো দিশ একেলগে থাকিলেহে জীৱনে পূৰ্ণতা লাভ কৰে। সেয়েহে কৃষ্ণ কেৱল এক পৌৰাণিক চৰিত্ৰ নহয়; তেওঁ মানৱ জীৱনৰ এক চিৰন্তন সত্য। কৃষ্ণৰ জীৱনৰ কথা আলোচনা কৰোঁতে আন এটা গুৰুত্বপূৰ্ণ দিশ স্পষ্ট হৈ উঠে সেইটো হৈছে তেওঁৰ মানৱীয় গুণসমূহ। যদিও তেওঁক ঈশ্বৰীয় শক্তিৰ অৱতাৰ বুলি গণ্য কৰা হয়, তথাপি তেওঁৰ জীৱনৰ বহু ঘটনাত এক মানৱীয় স্পৰ্শ দেখা যায়। তেওঁ বন্ধুৰ সৈতে হাঁহে, আনন্দ কৰে, কষ্টৰ সময়ত সহায় কৰে আৰু দুখ-কষ্টৰ মুহূৰ্ততো সাহস আৰু ধৈৰ্য বজাই ৰাখে। এই মানৱীয় দিশেই কৃষ্ণক সাধাৰণ মানুহৰ হৃদয়ৰ ওচৰত লৈ আহিছে।

গোকুল আৰু বৃন্দাবনৰ দিনবোৰত কৃষ্ণই যি স্নেহ আৰু বন্ধুত্বৰ পৰিৱেশ সৃষ্টি কৰিছিল, সেয়া সমাজত সমতা আৰু সহমৰ্মিতাৰ এক উজ্জ্বল উদাহৰণ। গোপালকসকলৰ সৈতে তেওঁৰ সম্পৰ্কত কোনো ভেদাভেদ নাছিল। তেওঁ ৰাজপুত্ৰ নহয়, একেবাৰে সাধাৰণ গোপালকৰ দৰে জীৱন-যাপন কৰিছিল। এই ঘটনাই দেখুৱায় যে সঁচা মহানতা মানে অহংকাৰ নহয়; সঁচা মহানতা মানে সৰলতা আৰু বিনয়।

কৃষ্ণৰ জীৱনৰ আন এটা তাৎপৰ্যপূৰ্ণ অধ্যায় হৈছে তেওঁৰ কূটনৈতিক বুদ্ধিমত্তা। মহাভাৰতৰ সময়ত তেওঁ কেবল যুদ্ধক্ষেত্ৰত উপদেশ দিয়াই সীমাবদ্ধ নাছিল; তেওঁ ৰাজনৈতিক ক্ষেত্ৰতো অসাধাৰণ দক্ষতা দেখুৱাইছিল। কৌৰৱ আৰু পাণ্ডৱৰ মাজত সংঘাত সৃষ্টি হোৱাৰ পিছত কৃষ্ণই শান্তি স্থাপনৰ বাবে বহু চেষ্টা কৰিছিল। তেওঁ দূত হিচাপে কৌৰৱসকলৰ সভালৈ গৈছিল আৰু যুদ্ধৰ পৰিৱৰ্তে সমাধান বিচাৰিছিল। কিন্তু যেতিয়া অহংকাৰ আৰু অধৰ্মৰ সকলো পথ বন্ধ কৰি দিলে, তেতিয়া কৃষ্ণই স্পষ্টকৈ কৈছিল যে ধৰ্মৰ জয় নিশ্চিত হ'ব লাগিব।

এই ঘটনাবোৰে দেখুৱায় যে কৃষ্ণৰ দৃষ্টিত ধৰ্ম মানে কেৱল আধ্যাত্মিক সাধনা নহয়; ধৰ্ম মানে ন্যায় আৰু সত্যৰ পক্ষে থিয় দিয়া। তেওঁ বুজাইছিল যে অন্যায়ৰ সন্মুখত নীৰৱ হৈ থকা এক প্ৰকাৰৰ অন্যায়। সেয়েহে মানুহে সদায় ন্যায়ৰ পক্ষে সাহসিকতাৰে থিয় দিব লাগিব।

কৃষ্ণৰ শিক্ষা বিশেষকৈ গীতাৰ মাজত সুস্পষ্টকৈ প্ৰকাশ পাইছে। গীতাত তেওঁ জীৱনৰ বহু গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ আগবঢ়াইছে। জীৱনৰ লক্ষ্য কি, কৰ্ম কেনেকৈ কৰিব লাগে, দুখ-কষ্ট কেনেকৈ সহ্য কৰিব লাগে —এই সকলো প্ৰশ্নৰ উত্তৰ গীতাৰ মাজত পোৱা যায়। কৃষ্ণই কৈছিল যে মানুহে নিজৰ মন আৰু ইচ্ছাসমূহ নিয়ন্ত্ৰণ কৰিব লাগিব। যি মানুহে নিজৰ মনক নিয়ন্ত্ৰণ কৰিব পাৰে, তেওঁ জীৱনত সত্য শান্তি লাভ কৰে।

গীতাৰ আন এটা গভীৰ শিক্ষা হৈছে আত্মাৰ ধাৰণা। কৃষ্ণই অৰ্জুনক কৈছিল যে মানুহৰ দেহ নশ্বৰ, কিন্তু আত্মা অমৰ। দেহৰ জন্ম আৰু মৃত্যু আছে, কিন্তু আত্মা চিৰন্তন। এই দৰ্শনে মানুহক জীৱনৰ বহু ভয় আৰু দুখৰ পৰা মুক্তি দিয়ে। যদি মানুহে বুজি পায় যে আত্মা অমৰ, তেন্তে তেওঁ জীৱনৰ কঠিন পৰিস্থিতিতো সাহস আৰু ধৈৰ্য বজাই ৰাখিব পাৰে।

কৃষ্ণৰ জীৱনৰ মাজত আনন্দ আৰু দায়িত্ব দুয়োটাই সমানভাৱে দেখা যায়। তেওঁ বাঁহীৰ সুৰেৰে মানুহক আনন্দ দিয়ে, আনফালে যুদ্ধক্ষেত্ৰত কঠিন সিদ্ধান্ত লয়। এই দুয়োটা দিশৰ মাজত কোনো দ্বন্দ্ব নাই; বৰঞ্চ এই দুয়োটা দিশেই জীৱনৰ পূৰ্ণতা প্ৰকাশ কৰে। মানুহৰ জীৱনো তেনেকুৱাই হওক লাগে, য'ত কৰ্তব্য আৰু আনন্দ দুয়োটাই সঠিক স্থান পায়।

অসমীয়া সংস্কৃতিতো কৃষ্ণৰ প্ৰভাৱ গভীৰ। বিশেষকৈ ভক্তি আন্দোলনৰ সময়ত কৃষ্ণভক্তিৰ এক শক্তিশালী ধাৰা দেখা গৈছিল। বহু সাধক, কবি আৰু গায়কে কৃষ্ণৰ গুণগান গাইছিল। নামঘৰ, কীৰ্তন আৰু ভক্তিমূলক সংগীতৰ মাজত কৃষ্ণৰ নাম আৰু লীলাৰ উল্লেখ সঘনাই শুনা যায়। এইবোৰে দেখুৱায় যে কৃষ্ণ কেৱল এক পৌৰাণিক চৰিত্ৰ নহয়; তেওঁ সংস্কৃতি আৰু সমাজৰো এক অবিচ্ছেদ্য অংশ।

আজিৰ আধুনিক যুগত মানুহৰ জীৱন অত্যন্ত ব্যস্ত আৰু জটিল হৈ পৰিছে। প্ৰতিযোগিতা, চিন্তা আৰু অনিশ্চয়তাৰ মাজত মানুহে বহু সময়ত মানসিক শান্তি হেৰুৱাই পেলায়। এনে সময়ত কৃষ্ণৰ শিক্ষা মানুহৰ বাবে এক শক্তিশালী পথ প্ৰদৰ্শক হ'ব পাৰে। তেওঁৰ কৰ্মদৰ্শনে মানুহক নিষ্ঠা আৰু সততাৰে কাম কৰিবলৈ শিকায়। তেওঁৰ ধৰ্মদৰ্শনে মানুহক সত্য আৰু ন্যায়ৰ পথত চলিবলৈ উৎসাহিত কৰে। আৰু তেওঁৰ প্ৰেম আৰু ভক্তিৰ শিক্ষা মানুহক মানৱীয় মূল্যবোধৰ গুৰুত্ব বুজায়।

সেয়েহে ক'ব পাৰি যে কৃষ্ণৰ জীৱন এক পূৰ্ণ জীৱনৰ আদৰ্শ। তেওঁৰ জীৱনত আমি ধৰ্ম, কৰ্ম আৰু আনন্দৰ এক সুষম মিলন দেখিবলৈ পাওঁ। তেওঁ দেখুৱাইছে যে জীৱনৰ সঁচা সৌন্দৰ্য তেতিয়াই প্ৰকাশ পায় যেতিয়া মানুহে নিজৰ দায়িত্ব পালন কৰে, সত্যৰ পথত আগবাঢ়ে আৰু প্ৰেম আৰু সহমৰ্মিতাৰে সমাজৰ সৈতে সম্পৰ্ক গঢ়ে। কৃষ্ণৰ শিক্ষা আৰু জীৱনদৰ্শন সময়ৰ সীমাৰ মাজত বন্দী নহয়। যুগে যুগে তেওঁৰ শিক্ষা মানুহক নতুন পথ দেখুৱাই আহিছে। সেয়েহে কৃষ্ণ কেৱল অতীতৰ ইতিহাস নহয়; তেওঁ বৰ্তমান আৰু ভৱিষ্যতৰ বাবেও এক চিৰন্তন সত্য।■

*এজন আদৰ্শ শিক্ষকৰ দায়বদ্ধতাৰ কথা ক'বলৈ গ'লে প্ৰথমে তেওঁৰ কৰ্তব্যনিষ্ঠাৰ দিশটো চকুৰ আগত ভাহি উঠে। শিক্ষকৰ প্ৰাথমিক কাম হ'ল ছাত্ৰ-ছাত্ৰীক জ্ঞান প্ৰদান কৰা; কিন্তু এই জ্ঞান অকল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ থাকিলে কাম নিদিব। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ল ব্যক্তিৰ চৰিত্ৰ গঠন আৰু অন্তৰ্নিহিত গুণসমূহৰ বিকাশ সাধন কৰা। এজন শিক্ষকে নিজৰ আচৰণ আৰু কামৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ আগত এক উদাহৰণ দাঙি ধৰিব লাগে। যিজন শিক্ষকে নিজে সময় মানি চলে, তেওঁহে ছাত্ৰ-ছাত্ৰীক সময়ৰ গুৰুত্ব বুজাব পাৰে। সমাজত সততা আৰু নৈতিকতাৰ চৰ্চা কৰিবলৈ হ'লে শিক্ষকে নিজে সেই পথত অগ্ৰসৰ হোৱাটো প্ৰয়োজনীয়। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন ধৰণৰ নেতিবাচক প্ৰভাৱৰ চিকাৰ হোৱা দেখা যায়। সামাজিক মাধ্যমৰ অতিমাত্ৰা ব্যৱহাৰ, ড্ৰাগছৰ দৰে মাৰাত্মক নিচা আৰু নৈতিক পতনৰ এই সন্ধিক্ষণত এজন শিক্ষকে ঢাল হৈ থিয় দিয়াটো জৰুৰী। তেওঁ ছাত্ৰ-ছাত্ৰীক অকল গণিত বা বিজ্ঞান শিকাই ক্ষান্ত থাকিলে নহ'ব, তেওঁলোকৰ মানসিক অৱস্থাটোও বুজিবলৈ চেষ্টা কৰিব লাগিব।*

## সমাজ গঢ়াৰ মহান খনিকৰ

# এজন আদৰ্শ শিক্ষকৰ দায়বদ্ধতা

প্ৰেম বৈষ্ণৱ

মানৱ সভ্যতাৰ বিকাশৰ যি দীঘলীয়া ইতিহাস, সেই ইতিহাসৰ প্ৰতিটো খোজতে এজন পথ প্ৰদৰ্শকৰ উপস্থিতি অনুভৱ কৰা যায়। সমাজ এখনৰ ভেটিটো যিমান মজবুত হয়, সেই সমাজখনৰ ভৱিষ্যৎ সিমানেই উজ্জ্বল হোৱাটো স্বাভাৱিক। এই সমাজ নামৰ বিশাল অট্টালিকাটোৰ যিগৰাকী প্ৰধান খনিকৰ, তেওঁ হ'ল এজন আদৰ্শ শিক্ষক। আদিম যুগৰ পৰা আধুনিক যুগলৈকে জ্ঞানৰ যি ধাৰাবাহিক প্ৰবাহ বৈ আহিছে, তাক পৰৱৰ্তী প্ৰজন্মৰ হাতত তুলি দিয়াৰ গুৰু দায়িত্ব শিক্ষকেই পালন কৰি আহিছে। শিক্ষকতা অকল এটা বৃত্তি বুলি ভাবিলে ভুল কৰা হ'ব। ইয়াক এক পৱিত্ৰ ব্ৰত হিচাপে গণ্য কৰাৰ পৰম্পৰা আমাৰ সমাজত অতি প্ৰাচীন কালৰে পৰা চলি আহিছে। গুৰু-শিষ্যৰ পৰম্পৰাই ভাৰতীয় সংস্কৃতিক বিশ্বৰ দৰবাৰত এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। এজন শিক্ষকে অকল আখৰৰ জ্ঞান নিদিয়ে, তেওঁ এজন ব্যক্তিক মানুহ হিচাপে গঢ়ি তোলাত সহায় কৰে। সমাজৰ নৈতিক অৱক্ষয় ৰোধ কৰাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অপৰিসীম। বৰ্তমানৰ জটিল সময়ত যেতিয়া মানৱীয় মূল্যবোধবোৰ ক্ৰমান্বয়ে ম্লান পৰি আহিছে, তেতিয়া এজন আদৰ্শ শিক্ষকৰ দায়িত্ব বহু পৰিমাণে বৃদ্ধি পাইছে। তেওঁ অকল শ্ৰেণীকোঠাৰ চাৰিবেৰৰ মাজতে আবদ্ধ থকা এজন কৰ্মচাৰী নুবুজায়, তাৰ বিপৰীতে তেওঁ সমাজৰ প্ৰতিটো দিশতে নিজৰ জ্ঞান আৰু অভিজ্ঞতাৰ পোহৰ বিলাই দিয়া এজন সমাজ সংস্কাৰক। পৃথিৱীত যিমানেই উচ্চ প্ৰযুক্তিৰ আগমন নঘটক কিয়, এজন শিক্ষকৰ যি উমাল স্পৰ্শ আৰু মানৱীয় দৃষ্টিভংগী, তাৰ বিকল্প কেতিয়াও কোনো যন্ত্ৰ হ'ব নোৱাৰে। শিক্ষকৰ ব্যক্তিত্বই ছাত্ৰ-ছাত্ৰীৰ মনত যি গভীৰ সাঁচ বহুৱায়, সেয়া তেওঁলোকৰ সমগ্ৰ জীৱনৰ বাবে পাথেয় হৈ ৰয়। সেয়েহে এজন শিক্ষকৰ নৈতিকতা, চৰিত্ৰ আৰু কৰ্মৰাজিৰ ওপৰত ভিত্তি কৰিয়েই এখন সমাজৰ উত্তৰণ নিৰ্ভৰ কৰে। জ্ঞানৰ বিস্তাৰৰ লগে লগে সমাজত চলি থকা অন্ধবিশ্বাস আৰু কুসংস্কাৰ আঁতৰাবলৈ এজন শিক্ষকে সদায় অগ্ৰণী ভূমিকা লৈ আহিছে। তেওঁৰ আদৰ্শই সমাজৰ আন ১০ জনক অনুপ্ৰাণিত কৰে। এজন ভাল শিক্ষকে জানে যে প্ৰতিটো শিশুৰ মাজত একো একোটা সম্ভাৱনা লুকাই থাকে আৰু সেই সম্ভাৱনাটোক সঠিক দিশত আগুৱাই নিয়াটোৱেই তেওঁৰ প্ৰধান লক্ষ্য। সমাজৰ প্ৰতি থকা দায়বদ্ধতাই এজন শিক্ষকক সাধাৰণ মানুহৰ পৰা পৃথক কৰি এক অনন্য মাত্ৰা প্ৰদান কৰে। দেশৰ ভৱিষ্যৎ নিৰ্মাণৰ ক্ষেত্ৰত শিক্ষকৰ দান অতুলনীয়। কোনো এখন দেশৰ অৰ্থনৈতিক বা বৈজ্ঞানিক উন্নতি অকল অৰ্থ বা যন্ত্ৰৰ দ্বাৰা সম্ভৱ হৈ নুঠে, ইয়াৰ বাবে প্ৰয়োজন হয় সুশিক্ষিত আৰু সুচৰিত্ৰৱান নাগৰিকৰ। তেনে নাগৰিক গঢ়াৰ কাৰখানাসমূহ হ'ল শিক্ষানুষ্ঠান আৰু তাৰ মূল চালিকা শক্তি হ'ল শিক্ষক। সমাজৰ প্ৰতি থকা এই নিঃস্বাৰ্থ সেৱাৰ বাবেই শিক্ষকক সমাজৰ মেৰুদণ্ড বুলি কোৱা হয়। তেওঁৰ হাততেই নিৰ্মিত হয় আগন্তুক দিনৰ বিজ্ঞানী, সাহিত্যিক, ৰাজনীতিবিদ আৰু সমাজকৰ্মীসকল। গতিকে এজন আদৰ্শ শিক্ষকৰ দায়বদ্ধতাৰ পৰিসৰ অতি বিশাল আৰু গভীৰ।

এজন আদৰ্শ শিক্ষকৰ দায়বদ্ধতাৰ কথা ক'বলৈ গ'লে প্ৰথমে তেওঁৰ কৰ্তব্যনিষ্ঠাৰ দিশটো চকুৰ আগত ভাহি উঠে। শিক্ষকৰ প্ৰাথমিক কাম হ'ল ছাত্ৰ-ছাত্ৰীক জ্ঞান প্ৰদান কৰা; কিন্তু এই জ্ঞান অকল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ থাকিলে কাম নিদিব। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ল ব্যক্তিৰ চৰিত্ৰ গঠন আৰু অন্তৰ্নিহিত গুণসমূহৰ বিকাশ সাধন কৰা। এজন শিক্ষকে নিজৰ আচৰণ আৰু কামৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ আগত এক উদাহৰণ দাঙি ধৰিব লাগে। যিজন শিক্ষকে নিজে সময় মানি চলে, তেওঁহে ছাত্ৰ-ছাত্ৰীক সময়ৰ গুৰুত্ব বুজাব পাৰে। সমাজত সততা আৰু নৈতিকতাৰ চৰ্চা কৰিবলৈ হ'লে শিক্ষকে নিজে সেই পথত অগ্ৰসৰ হোৱাটো প্ৰয়োজনীয়। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন ধৰণৰ নেতিবাচক প্ৰভাৱৰ চিকাৰ হোৱা দেখা যায়। সামাজিক মাধ্যমৰ অতিমাত্ৰা ব্যৱহাৰ, ড্ৰাগছৰ দৰে মাৰাত্মক নিচা আৰু নৈতিক পতনৰ এই সন্ধিক্ষণত এজন শিক্ষকে ঢাল হৈ থিয় দিয়াটো জৰুৰী। তেওঁ ছাত্ৰ-ছাত্ৰীক অকল গণিত বা বিজ্ঞান শিকাই ক্ষান্ত থাকিলে নহ'ব, তেওঁলোকৰ মানসিক অৱস্থাটোও বুজিবলৈ চেষ্টা কৰিব লাগিব। প্ৰতিজন ছাত্ৰৰ সমস্যা বেলেগ বেলেগ হোৱাটো স্বাভাৱিক। কোনো এজন ছাত্ৰ হয়তো পঢ়াত দুৰ্বল, কোনোবা এজন হয়তো পাৰিবাৰিক অশান্তিৰ মাজত দিন পাৰ কৰিছে। তেনে অৱস্থাত এজন শিক্ষকে তেওঁলোকৰ সৈতে বন্ধুৰ দৰে মিলামিছা কৰি তেওঁলোকৰ মনৰ দুখ আঁতৰাবলৈ চেষ্টা কৰা উচিত। ইয়াৰ উপৰি সমাজৰ দুৰ্বল আৰু পিছপৰা শ্ৰেণীৰ লোকসকলক শিক্ষাৰ মূল সুঁতিলৈ আনিবলৈ শিক্ষকসকলে আগভাগ ল'ব লাগে। বহু সময়ত দেখা যায় যে আৰ্থিক অভাৱৰ বাবে বহুত মেধাৱী ছাত্ৰই পঢ়া-শুনা এৰি দিবলগীয়া হয়। তেনে ক্ষেত্ৰত এজন আদৰ্শ শিক্ষকে যিমান পাৰি সহায়ৰ হাত আগবঢ়োৱা দেখা যায়। সমাজ গঢ়াৰ এই প্ৰক্ৰিয়াত শিক্ষকে সমাজৰ সচেতন নাগৰিক হিচাপেও ভূমিকা পালন কৰিব লাগে। গাঁৱৰ বা চহৰৰ যিকোনো সমস্যাত শিক্ষকৰ পৰামৰ্শক সমাজৰ মানুহে গুৰুত্ব সহকাৰে লয়। সেই মৰ্যাদা ৰক্ষা কৰাটো শিক্ষকৰ নৈতিক দায়িত্বৰ ভিতৰত পৰে। শিক্ষকে অকল বিদ্যা বিতৰণ কৰাই নপৰে, সমাজৰ পৰা অশিক্ষা আৰু কুসংস্কাৰ দূৰ কৰাৰ বাবেও সংগ্ৰাম কৰিব লাগে। বিজ্ঞানমনস্কতা গঢ়ি তোলাত শিক্ষকৰ অৱদান স্বীকাৰ কৰিবই লাগিব। ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ শিকোৱা আৰু যুক্তিৰে সকলো কথা বিচাৰ কৰিব পৰাকৈ গঢ়ি তোলাটো এজন শিক্ষকৰ কৃতিত্ব। যেতিয়া এজন শিক্ষকে নিজৰ ব্যক্তিগত স্বাৰ্থতকৈ ছাত্ৰৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়ে, তেতিয়া তেওঁ প্ৰকৃত অৰ্থত এগৰাকী আদৰ্শ শিক্ষক হিচাপে পৰিগণিত হয়। জ্ঞানৰ কোনো সীমা নাই আৰু এজন শিক্ষকে নিজেও আজীৱন এজন ছাত্ৰ হৈ থকাটো বাঞ্ছনীয়। নতুন নতুন তথ্য আৰু প্ৰযুক্তিৰ সৈতে পৰিচিত হৈ সেইসমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত সহজভাৱে বিলাই দিয়াটো এক ডাঙৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাজনহে প্ৰকৃত শিক্ষক। সমাজৰ প্ৰতি থকা দায়বদ্ধতাই তেওঁক ক্লান্ত হ'বলৈ নিদিয়ে। তাৰ পৰিৱৰ্তে নতুন উদ্যমেৰে আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰে। সেয়েহে এজন শিক্ষকে সমাজৰ উত্তৰণৰ বাবে নিজকে উৎসৰ্গা কৰাটোৱেই হৈছে তেওঁৰ জীৱনৰ চৰম সাৰ্থকতা। এই যাত্ৰা কঠিন হ'ব পাৰে; কিন্তু ইয়াৰ পৰিণতি অতিশয় মধুৰ। এখন সুস্থ-সবল আৰু শিক্ষিত সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষকৰ যি অৱদান, তাক যুগে যুগে মানৱ জাতিয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব।

এজন শিক্ষকৰ ব্যক্তিত্বই ছাত্ৰ-ছাত্ৰীৰ জীৱনত কেনেধৰণৰ প্ৰভাৱ পেলাব পাৰে, সেয়া এক গভীৰ বিশ্লেষণৰ বিষয়। শৈশৱৰ পৰা কৈশোৰলৈকে যিটো সময়ত এজন ছাত্ৰৰ চৰিত্ৰ গঠিত হয়, সেই সময়ছোৱাত তেওঁ ঘৰৰ পিছতেই আটাইতকৈ বেছি সময় শিক্ষানুষ্ঠানত অতিবাহিত কৰে। গতিকে শিক্ষকৰ কথা-বতৰা, পিন্ধন-উৰণ আৰু তেওঁৰ দৃষ্টিভংগী ছাত্ৰৰ বাবে অনুসৰণযোগ্য হৈ পৰে। এজন আদৰ্শ শিক্ষকৰ মাজত থাকিবলগীয়া আটাইতকৈ ডাঙৰ গুণটো হ'ল ধৈৰ্য। শ্ৰেণীকোঠাত থকা সকলো ছাত্ৰৰ মেধা শক্তি সমান নহয়। কোনোবাই এটা কথা এবাৰতে বুজি পায়, আনহাতে আন কাৰোবাক বুজাবলৈ বহু সময়ৰ প্ৰয়োজন হয়। তেনে ক্ষেত্ৰত খং নকৰি মৰমেৰে বিষয়টো বুজাই দিব পৰাজনহে প্ৰকৃত শিক্ষক। শিক্ষকৰ এষাৰ মৰমৰ মাতেই এজন হতাশাগ্ৰস্ত ছাত্ৰক নতুন জীৱন দিব পাৰে। নৈতিকতাৰ শিক্ষা অকল মৌখিক হ'লে নচলিব। শিক্ষকে নিজে যদি সমাজত অসামাজিক কামৰ লগত জড়িত হয়, তেন্তে তেওঁ দিয়া নীতি-শিক্ষাৰ কোনো মূল্য নাথাকে। সমাজৰ মানুহে শিক্ষকক এজন শুদ্ধ পথ প্ৰদৰ্শক হিচাপে জ্ঞান কৰে। তেওঁৰ ওপৰত সমাজৰ এক অগাধ বিশ্বাস থাকে। এই বিশ্বাস ৰক্ষা কৰিবলৈ তেওঁ নিজৰ জীৱনটো পৰিপাটি আৰু নিয়মানুৱৰ্তিতাৰ মাজত ৰাখিব লাগে। এজন আদৰ্শ শিক্ষকে কেতিয়াও কোনো ছাত্ৰৰ মাজত বৈষম্য ভাব নাৰাখে। ধৰ্ম, জাতি বা আৰ্থিক অৱস্থাৰ ভিত্তিত ছাত্ৰক শ্ৰেণীবিভাজন কৰাটো এজন শিক্ষকৰ বাবে অনুচিত কাম। তেওঁৰ চকুৰ আগত সকলো ছাত্ৰই সমানে গুৰুত্বপূৰ্ণ। এই সমদৃষ্টিভংগীয়েই ছাত্ৰ-ছাত্ৰীৰ মাজত একতা আৰু ভাতৃত্ববোধৰ বীজ সিঁচি দিয়ে। শিক্ষকতাৰ ক্ষেত্ৰখনত আত্মবিশ্বাসৰ প্ৰয়োজন অতি বেছি। শিক্ষকে যেতিয়া কোনো এটা বিষয় পঢ়ায়, তেতিয়া তেওঁৰ স্পষ্টবাদিতা আৰু জ্ঞানৰ গভীৰতাই ছাত্ৰক আকৰ্ষণ কৰিব পাৰিব লাগে। পাঠ্যপুথিৰ বাহিৰৰ জগতখনৰ লগতো ছাত্ৰক চিনাকি কৰি দিয়াটো শিক্ষকৰ অন্যতম দায়িত্ব। দেশ-বিদেশৰ খবৰ, বিজ্ঞানৰ নতুন আৱিষ্কাৰ আৰু সাহিত্যৰ ৰসাস্বাদন কৰিবলৈ শিক্ষকে অনুপ্ৰাণিত কৰিব লাগে। শিক্ষকে তথ্য যোগান ধৰা আৰু সেই তথ্যসমূহ কেনেকৈ জীৱনত প্ৰয়োগ কৰিব পাৰি, তাৰ পথ প্ৰদৰ্শন কৰাটোহে আচল কাম। এজন শিক্ষকে ছাত্ৰৰ গোপন প্ৰতিভাটো বিচাৰি উলিয়াব লাগে। সকলো ল'ৰা-ছোৱালীয়েই যে পঢ়া-শুনাত ভাল হ'ব, তাৰ কোনো নিশ্চয়তা নাই। কোনোবা হয়তো খেলা-ধূলাত পাকৈত, কোনোবা হয়তো গান বা ছবিত নিপুণ। এজন আদৰ্শ শিক্ষকে সেই বিশেষ গুণটো চিনি পাই তাক উৎসাহিত কৰিব লাগে। এইদৰেই এজন শিক্ষকে সমাজৰ বাবে বিভিন্ন ক্ষেত্ৰৰ দক্ষ ব্যক্তি গঢ়ি তোলে। সমাজৰ প্ৰতি থকা দায়বদ্ধতাই তেওঁক দায়িত্বৰ প্ৰতি সজাগ কৰি ৰাখে। তেওঁ জানে যে তেওঁৰ হাততেই দেশৰ ভৱিষ্যৎ সুৰক্ষিত হৈ আছে। গতিকে নিজৰ কামত কোনো ধৰণৰ গাফিলতি কৰাটো তেওঁৰ বাবে অসম্ভৱ। শিক্ষকৰ এই নীৰৱ সাধনাই সমাজখনক ভিতৰৰ পৰা শক্তিশালী কৰে। এজন শিক্ষকৰ সফলতা তেওঁৰ ছাত্ৰৰ সফলতাতহে নিহিত থাকে। যেতিয়া এজন পুৰণি ছাত্ৰই সমাজত এজন প্ৰতিষ্ঠিত ব্যক্তি হিচাপে নিজকে পৰিচয় দিয়ে, তেতিয়া সেই শিক্ষকজনৰ আনন্দৰ সীমা নাথাকে। সেই আনন্দই হৈছে শিক্ষকতাৰ আচল পুৰস্কাৰ। আৰ্থিক লাভালাভতকৈ সন্মান আৰু আত্মসন্তুষ্টিৰ বাবেহে এজন আদৰ্শ শিক্ষকে নিজৰ জীৱন উৎসৰ্গা কৰে। তেওঁৰ এই ত্যাগ আৰু শ্ৰমৰ বাবেই সমাজখন আজিও সুস্থ হৈ আছে। শিক্ষকৰ এই অৱদানক সমাজে সদায় উচ্চ স্থানত ৰখা উচিত।

■ ১০ পৃষ্ঠাত

# নামঘোষা ঃ ভক্তি, জ্ঞান আৰু মানৱীয় চেতনাৰ প্ৰাসংগিকতা

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

দায়িত্বৰ পৰা পলায়ন নহয়, বৰং দায়িত্ব পালন কৰিও অন্তৰক পৰম সত্যৰ প্ৰতি নিবেদিত কৰি ৰখাই ইয়াৰ মূল শিক্ষা।

নামঘোষাৰ দাৰ্শনিক চিন্তাত জীৱৰ সীমাবদ্ধতা আৰু পৰম সত্তাৰ অসীমতাৰ মাজৰ পাৰ্থক্য স্পষ্ট। মানুহে নিজকে সৰ্বশক্তিমান বুলি ভাবিলে অহংকাৰৰ জন্ম হয়। কিন্তু নিজৰ সীমাবদ্ধতা উপলব্ধি কৰি পৰম সত্তাৰ ওচৰত শৰণ ল'লে আত্মিক উন্নতিৰ পথ মুকলি হয়। এই অৰ্থত ভক্তি হৈছে জীৱ আৰু পৰম সত্তাৰ মাজৰ এক সেতু। মানুহ যেতিয়ালৈকে অজ্ঞানতা আৰু অহংকাৰৰ অন্ধকাৰত নিমজ্জিত থাকে, তেতিয়ালৈকে পৰম সত্যৰ উপলব্ধি কৰাটো কঠিন। মাধৱদেৱে ঘোষাত কৈছে—

অজ্ঞান-আন্ধাৰে
পৰিয়া জীৱৰ
জ্ঞান-পথ ভৈল নাশ ।
নাম অঞ্জনীয়া
বিনে আন মতে
নপাৰে হৰিব পাশ।। ২৩৫

এই ঘোষাত নামক অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰা আধ্যাত্মিক শক্তিৰূপে প্ৰতিপন্ন কৰা হৈছে। নামস্মৰণ আৰু ভক্তিৰ জৰিয়তে জীৱই পৰম সত্যৰ সৈতে সম্পৰ্ক স্থাপন কৰে। কিন্তু এই সম্পৰ্ক কেৱল তাত্ত্বিক নহয়। ই মানুহৰ আচৰণ আৰু জীৱনদৃষ্টিকো পৰিৱৰ্তিত কৰে। প্ৰকৃত ভক্তিয়ে মানুহক অধিক বিনয়ী, সংযমী, দয়ালু আৰু দায়িত্বশীল কৰি তোলে।

নামঘোষাৰ দৰ্শনত জ্ঞান আৰু ভক্তি পৰস্পৰৰ বিৰোধী নহয়। বৰং ইহঁতৰ মাজত এক গভীৰ সমন্বয় আছে। জ্ঞানে মানুহক সত্য উপলব্ধিৰ পথ দেখুৱায় আৰু সেই জ্ঞানে অহংকাৰ, মোহ আৰু অজ্ঞানতাৰ আৱৰণ আঁতৰাবলৈ সহায় কৰে। আনহাতে, ভক্তিয়ে সেই উপলব্ধিক হৃদয়ৰ অনুভূতিলৈ ৰূপান্তৰিত কৰে। সেয়েহে নামঘোষাৰ দৰ্শনত জ্ঞান, ভক্তি আৰু নৈতিক আচৰণ পৰস্পৰৰ পৰা বিচ্ছিন্ন নহয়। প্ৰকৃত জ্ঞানে যদি মানুহক বিনয়ী নকৰে আৰু ভক্তিয়ে যদি মানুহৰ আচৰণত দয়া, সত্য আৰু সংযম জন্মাব নোৱাৰে, তেন্তে সেই জ্ঞান আৰু ভক্তিৰ পূৰ্ণতা সম্পৰ্কে প্ৰশ্ন উত্থাপিত হয়।

নামঘোষা ৰচনাৰ বিষয়ত ভৱপ্ৰসাদ চলিহা সম্পাদিত 'মাধৱদেৱৰ সাহিত্য' শীৰ্ষক গ্ৰন্থৰ প্ৰস্তাৱনাত এনেভাৱে উল্লেখ কৰা হৈছে নামঘোষাৰ বহুখিনি ঘোষাৰ বিষয়বস্তু বিভিন্ন গ্ৰন্থৰ পৰা আহৰণ কৰা হ'লেও কবিয়ে এনে সুন্দৰকৈ ভাঙিছে যে সিবোৰক অনুবাদ যেন নালাগি মৌলিক ৰচনা যেনহে লাগে। অনুবাদসমূহ মূলগত যদিও অতিশয় প্ৰাঞ্জল আৰু হৃদয়-সংবাদী হৈছে। অনুবাদমূলক ঘোষাসমূহৰ উৎস হিচাপে যিবোৰ মূল শাস্ত্ৰ পোৱা গৈছে সিবোৰৰ ভিতৰত ভাগৱত-পুৰাণ, ভগৱতগীতা, পদ্ম-পুৰাণ, বৃহন্নাৰদীয়-পুৰাণ, ব্ৰহ্ম-পুৰাণ, স্কন্ধ-পুৰাণ, ব্ৰহ্মাণ্ড-পুৰাণ, বিষ্ণু-পুৰাণ, বামন-পুৰাণ, মৎস্য-পুৰাণ, শান্তি-শতক, শ্ৰীধৰ স্বামীৰ ভাগৱত ভাবাৰ্থ-দীপিকা, গীতাৰ সুবোধিনী টীকা, শংকৰদেৱৰ ভক্তি-ৰত্নাকৰ, বৈষ্ণৱপুৰীৰ ভক্তি-ৰত্নাৱলীৰ কান্তিমালা টীকা, শংকৰাচাৰ্যৰ মোহ মুদগৰ, বৈষ্ণৱামৃত লহৰী আদি প্ৰায় সকলো বৈষ্ণৱ শাস্ত্ৰৰ শ্লোকৰ পৰা ইয়াত অনুবাদ আছে। ইয়াতেই মাধৱদেৱৰ অধ্যয়নৰ ব্যাপকতা আৰু অগাধ পাণ্ডিত্যৰ পৰিচয় দাঙি ধৰে। (দ্ৰষ্টব্য, পৃষ্ঠা-৫)

নামঘোষাৰ দৰ্শনত সংসাৰৰ অনিত্যতাৰ উপলব্ধি এক গুৰুত্বপূৰ্ণ বিষয়। মানুহে ধন, ক্ষমতা, সৌন্দৰ্য, সামাজিক প্ৰতিপত্তি আৰু পাৰ্থিৱ সুখৰ পিছত দৌৰি জীৱনৰ প্ৰকৃত উদ্দেশ্য পাহৰি যাব পাৰে। নামঘোষাই এই আসক্তিৰ বিপদৰ বিষয়ে সতৰ্ক কৰি মানুহক অন্তৰ্মুখী হ'বলৈ আহ্বান জনায়। এইক্ষেত্ৰত মায়াক কেৱল পৃথিৱীখন সম্পূৰ্ণ মিছা বুলি গণ্য কৰাৰ অৰ্থত বুজিলে নামঘোষাৰ দাৰ্শনিক তাৎপৰ্য সংকুচিত হয়। বৰং অনিত্য বস্তুৰ প্ৰতি অতিমাত্ৰা আসক্ত হৈ সেইবোৰকেই জীৱনৰ চূড়ান্ত সত্য বুলি গ্ৰহণ কৰাটোৱেই মায়াবদ্ধতাৰ এক গুৰুত্বপূৰ্ণ ৰূপ।

মানুহ সংসাৰত থাকিব লাগিব, কৰ্ম কৰিব লাগিব আৰু দায়িত্ব পালন কৰিব লাগিব। কিন্তু সংসাৰৰ বস্তুগত সম্পদ আৰু প্ৰতিপত্তিৰ প্ৰতি অন্ধ আসক্ত হৈ পৰাটো উচিত নহয়। এই শিক্ষা আধুনিক সময়তো বিশেষভাৱে প্ৰাসংগিক। বস্তুগত সফলতা, ধন-সম্পদ আৰু সামাজিক প্ৰতিপত্তিৰ প্ৰতিযোগিতাই মানুহক বহু সময়ত মানসিক অশান্তিৰ মাজলৈ ঠেলি দিয়ে। নামঘোষাৰ অনিত্যতাৰ বোধে সোঁৱৰাই দিয়ে যে জীৱনৰ মূল্য কেৱল বাহ্যিক সফলতাত নহয়। অন্তৰৰ শান্তি, সংযম আৰু সৎ জীৱনতো ইয়াৰ গভীৰ তাৎপৰ্য নিহিত হৈ আছে।

ভাৰতীয় দাৰ্শনিক পৰম্পৰাত মোক্ষক জীৱনৰ পৰম লক্ষ্য হিচাপে গণ্য কৰা হয়। নামঘোষাতো সংসাৰৰ বন্ধনৰ পৰা মুক্তিৰ আকাংক্ষা প্ৰকাশ পাইছে। কিন্তু মাধৱদেৱে মোক্ষৰ পথ হিচাপে ভক্তিক বিশেষ গুৰুত্ব দিছে। ভক্তিৰ সাধনাই মানুহক অহংকাৰ, লোভ, ভয়, মোহ আৰু স্বাৰ্থপৰতাৰ পৰা অন্তৰ্মুক্তিৰ পথ দেখুৱায়। মাধৱদেৱৰ মতে, ভক্তি কেৱল মোক্ষ লাভৰ উপায় নহয়। ভক্তি নিজেই পৰম পুৰুষাৰ্থ। সেয়ে তেওঁ ঘোষাত কৈছে—

'মুক্তিতো নিস্পৃহ যিটো
সেহি ভকতক নমো।
ৰসময়ী মাগোহো ভকতি।
সমস্ত- মস্তক-মণি
নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।' ১

ইয়াত ভক্তিৰ এনে এক আদৰ্শ প্ৰকাশ পাইছে, য'ত ভক্তই মুক্তিৰ আকাংক্ষাতকৈ ভক্তিৰ স্বৰূপকেই অধিক মূল্যৱান বুলি গ্ৰহণ কৰে। অৰ্থাৎ ঈশ্বৰৰ প্ৰতি প্ৰেম আৰু আত্মসমৰ্পণেই ভক্তৰ পৰম আকাংক্ষা।

নামঘোষাৰ দাৰ্শনিক মহত্বৰ অন্যতম দিশ হৈছে ইয়াৰ গভীৰ মানৱতাবাদী চেতনা। ভক্তিৰ ক্ষেত্ৰত জন্ম, জাতি, বৰ্ণ, ধন-সম্পদ বা সামাজিক প্ৰতিপত্তিৰ তুলনাত অন্তৰৰ নিষ্ঠা আৰু ভক্তিক অধিক গুৰুত্ব দিয়া হৈছে। ঈশ্বৰৰ ওচৰত ভক্তৰ মৌলিক সমতাৰ এই আদৰ্শই সামাজিক বৈষম্যৰ বিৰুদ্ধে এক শক্তিশালী নৈতিক চেতনা সৃষ্টি কৰিছিল। শংকৰদেৱ-মাধৱদেৱৰ ভক্তি আন্দোলনৰ সামাজিক পৰিসৰত নামঘৰ কেৱল উপাসনাৰ স্থান হৈ নাথাকি সামাজিক মিলন, সামূহিক প্ৰাৰ্থনা, ধৰ্মীয় আলোচনা আৰু সহযোগিতাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰত পৰিণত হৈছিল। এই পৰম্পৰাই অসমীয়া সমাজত সামূহিকতা, সহযোগিতা আৰু ঐক্যবোধ দৃঢ় কৰাত সহায় কৰিছিল।

নামঘোষাৰ মানৱতাবাদৰ অন্তৰ্নিহিত বাণী হৈছে— মানুহৰ প্ৰতি দয়া, জীৱৰ প্ৰতি মমতা আৰু অন্যায়ৰ পৰা আঁতৰি থকা। ভক্তিয়ে যদি মানুহৰ হৃদয়ত দয়া, প্ৰেম আৰু সহমৰ্মিতা জগাব নোৱাৰে, তেন্তে সেই ভক্তিৰ পূৰ্ণতা সন্দেহজনক। এই দৃষ্টিভংগীয়ে ধৰ্মক মানুহৰ দৈনন্দিন নৈতিক জীৱনৰ সৈতে সংযুক্ত কৰিছে। নামঘোষাৰ ভক্তি নৈতিক জীৱনৰ পৰা বিচ্ছিন্ন নহয়। সত্য, দয়া, বিনয়, সংযম, ক্ষমা, পৰোপকাৰ আৰু অহিংসাৰ দৰে গুণে মানুহৰ চৰিত্ৰ গঠন কৰে। ধৰ্ম কেৱল উপাসনা বা আধ্যাত্মিক সাধনাৰ মাজতে সীমাবদ্ধ নহয়। মানুহৰ দৈনন্দিন আচৰণতো ধৰ্মৰ প্ৰকাশ ঘটিব লাগে। এই শিক্ষা আজিৰ সমাজতো অত্যন্ত প্ৰয়োজনীয়। অসত্য, দুৰ্নীতি, লোভ, হিংসা, অসহিষ্ণুতা আৰু স্বাৰ্থপৰতাই সামাজিক সম্পৰ্ক আৰু জনজীৱনক ক্ষতিগ্ৰস্ত কৰে। এনে পৰিস্থিতিত নামঘোষাৰ নৈতিক বাণী কেৱল ধৰ্মীয় উপদেশ নহয়। ই সুস্থ ব্যক্তি আৰু সুস্থ সমাজ গঠনৰ বাবে এক নৈতিক ভিত্তি হিচাপে বিবেচিত হ'ব পাৰে।

নামঘোষাৰ দাৰ্শনিক মহত্বৰ লগতে ইয়াৰ সাহিত্যিক মূল্যও অসাধাৰণ। মাধৱদেৱে গভীৰ আধ্যাত্মিক তত্ত্বক সহজ, সুললিত আৰু হৃদয়স্পৰ্শী ভাষাত প্ৰকাশ কৰিছে। তেওঁৰ ভাষাত একে সময়তে ভক্তিৰ আৱেগ, দাৰ্শনিক গভীৰতা আৰু কাব্যিক সৌন্দৰ্যৰ সমন্বয় ঘটিছে। নামঘোষাই অসমীয়া ভাষাক ধৰ্মীয় আৰু দাৰ্শনিক ভাব প্ৰকাশৰ এক শক্তিশালী মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সাধাৰণ মানুহৰ মুখে মুখে প্ৰচলিত হ'ব পৰাকৈ ইয়াৰ ভাষা সহজ আৰু সুৰীয়া। সেইবাবেই যুগৰ পাছত যুগ ধৰি নামঘোষাৰ ঘোষাসমূহ অসমীয়া ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনৰ অবিচ্ছেদ্য অংশ হৈ আছে। ইয়াৰ আন এটা বিশেষত্ব হৈছে— শাস্ত্ৰীয় জ্ঞানক মাধৱদেৱে কেৱল অনুবাদ কৰা নাই। তেওঁ তাক অসমীয়া সমাজৰ অনুভূতি, ভাষা আৰু জীৱনদৃষ্টিৰ সৈতে সংযুক্ত কৰি এক স্বকীয় কাব্যিক ৰূপ দিছে। এই কাৰণেই নামঘোষা একে সময়তে শাস্ত্ৰীয় ভাবধাৰাৰ বাহক আৰু অসমীয়া সাহিত্যৰ মৌলিক সৃষ্টিৰূপে মূল্যৱান।

বৰ্তমান সময় বিজ্ঞান, প্ৰযুক্তি আৰু অভূতপূৰ্ব যোগাযোগৰ যুগ। এই অগ্ৰগতিয়ে মানুহৰ জীৱন বহু দিশত সহজ আৰু সমৃদ্ধ কৰিছে যদিও ভোগবাদ, অতিৰিক্ত প্ৰতিযোগিতা, সামাজিক বিভাজন, অসহিষ্ণুতা আৰু মানসিক অস্থিৰতাৰ দৰে সমস্যাই নতুন প্ৰত্যাহ্বান সৃষ্টি কৰিছে। এনে সময়ত নামঘোষাৰ দৰ্শনে নতুন তাৎপৰ্য লাভ কৰে। এনে ভক্তিয়ে মানুহক অন্তৰৰ শান্তিৰ সন্ধান দিয়ে। অনিত্যতাৰ বোধে বস্তুগত সফলতাৰ সীমাবদ্ধতা উপলব্ধি কৰায়। নৈতিকতাই সৎ আৰু দায়িত্বশীল জীৱনৰ প্ৰতি আহ্বান জনায় আৰু মানৱতাবাদে মানুহক পৰস্পৰৰ প্ৰতি দয়া, সন্মান আৰু সহমৰ্মিতা প্ৰদৰ্শন কৰিবলৈ শিকায়।

আজিৰ পৃথিৱীত সততে জাতি, ধৰ্ম, ভাষা, মত আৰু স্বাৰ্থৰ ভিত্তিত বিভাজনৰ প্ৰৱণতা দেখা যায়। এনে পৰিস্থিতিত নামঘোষাৰ সমতা, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ শিক্ষা বিশেষ তাৎপৰ্যপূৰ্ণ। ধৰ্মৰ উদ্দেশ্য যদি মানুহক মানুহৰ পৰা আঁতৰাই দিয়া হয়, তেন্তে ধৰ্মৰ মানৱীয় উদ্দেশ্যই ব্যৰ্থ হয়। প্ৰকৃত ধৰ্মই মানুহৰ অন্তৰত প্ৰেম, দয়া, সত্য আৰু আত্মসংযমৰ বোধ জগাব লাগে।

অৱশ্যে নামঘোষাৰ প্ৰাসংগিকতা কেৱল বাহ্যিক সামাজিক সমস্যাৰ সমাধানৰ মাজতে সীমাবদ্ধ নহয়। ব্যক্তি অৰ্থাৎ মানুহৰ অন্তৰ্জগততো ইয়াৰ তাৎপৰ্য গভীৰ। অতিৰিক্ত ভোগ, প্ৰতিযোগিতা আৰু আত্মকেন্দ্ৰিকতাৰ মাজত মানুহে যেতিয়া নিজৰ অন্তৰৰ শান্তি হেৰুৱাই পেলায়, তেতিয়া নামঘোষাৰ আত্মসংযম, বিনয়, ভক্তি আৰু আত্মসমৰ্পণৰ শিক্ষাই এক বিকল্প জীৱনদৃষ্টিৰ সন্ধান দিয়ে। নামঘোষাক কেৱল এখন পবিত্ৰ গ্ৰন্থ হিচাপে সংৰক্ষণ কৰিলেই ইয়াৰ প্ৰতি আমাৰ দায়িত্ব সম্পূৰ্ণ নহয়। ইয়াৰ মূল বাণীসমূহ জীৱনত কাৰ্যকৰী কৰাটোহে প্ৰকৃত শ্ৰদ্ধা। নামঘোষা পঢ়ি যদি মানুহৰ অন্তৰত দয়া নোপজে, অহংকাৰ নকমে, অন্যায়ৰ পৰা আঁতৰি থাকিব নোৱাৰে আৰু আন মানুহক সন্মান কৰিবলৈ শিকিব নোৱাৰে, তেন্তে সেই পাঠৰ উদ্দেশ্য পূৰ্ণ হোৱা বুলি ক'ব নোৱাৰি। মাধৱদেৱৰ মহানতা এইখিনিতে যে তেওঁ গভীৰ দাৰ্শনিক সত্যক সাধাৰণ মানুহৰ হৃদয়ৰ ভাষাত প্ৰকাশ কৰিছে। তেওঁৰ বাবে ভক্তি জীৱনৰ পৰা পলায়নৰ পথ নহয়। ভক্তি হ'ল জীৱনক শুদ্ধ আৰু অৰ্থপূৰ্ণ কৰাৰ সাধনা। হৰিনাম কেৱল উচ্চাৰণৰ বিষয় নহয়। ই অন্তৰ পৰিৱৰ্তনৰ এক আধ্যাত্মিক শক্তি।

পৰিশেষত ক'ব পাৰি যে 'নামঘোষা' অসমীয়া জাতিৰ ধৰ্মীয়, দাৰ্শনিক আৰু সাহিত্যিক ঐতিহ্যৰ এক উজ্জ্বল শিখৰ। ইয়াত ভক্তিৰ গভীৰতা আছে, একশৰণৰ আধ্যাত্মিক আদৰ্শ আছে, জীৱ আৰু পৰম সত্তাৰ সম্পৰ্কৰ অনুসন্ধান আছে, সংসাৰৰ অনিত্যতাৰ উপলব্ধি আছে, মুক্তিৰ আকাংক্ষা আছে আৰু সৰ্বোপৰি আছে মানুহৰ প্ৰতি গভীৰ মমতা। মাধৱদেৱে দেখুৱাই গৈছে যে ঈশ্বৰৰ সন্ধান আৰু মানৱীয়তাৰ সাধনা পৰস্পৰৰ পৰা বিচ্ছিন্ন নহয়। ভক্তিৰ অন্তৰত যদি প্ৰেম থাকে, জ্ঞানৰ অন্তৰত যদি বিনয় থাকে আৰু ধৰ্মৰ অন্তৰত যদি মানৱতা থাকে, তেন্তে সেই ধৰ্মই ব্যক্তি আৰু সমাজ দুয়োটাকে পোহৰৰ পথ দেখুৱাব পাৰে। সেই অৰ্থত নামঘোষা কেৱল অতীতৰ এক পবিত্ৰ স্মৃতি নহয়। ই বৰ্তমানৰ নৈতিক প্ৰয়োজন আৰু ভৱিষ্যতৰো এক মূল্যৱান পথ প্ৰদৰ্শক।

মানুহে যদি অহংকাৰৰ সলনি বিনয়, হিংসাৰ সলনি দয়া, বিভাজনৰ সলনি ঐক্য, লোভৰ সলনি সংযম আৰু স্বাৰ্থপৰতাৰ সলনি পৰোপকাৰক জীৱনৰ আদৰ্শ হিচাপে গ্ৰহণ কৰে, তেন্তে নামঘোষাৰ চিৰন্তন বাণী বাস্তৱ জীৱনত প্ৰতিফলিত হ'বই। সেইবাবেই নামঘোষা অসমীয়া জাতিৰ অন্তৰত যুগে যুগে জ্বলি থকা ভক্তি, জ্ঞান আৰু মানৱতাৰ এক অক্ষয় দীপশিখা। মানুহে যিমান দিন সত্য, শান্তি, প্ৰেম আৰু মুক্তিৰ সন্ধান কৰিব, সিমান দিন নামঘোষাৰ বাণীয়েও নতুন প্ৰজন্মৰ হৃদয়ত নতুন পোহৰ হৈ উজলি থাকিব। ■

**তথ্যসূত্ৰ ঃ** ১। মাধৱদেৱৰ সাহিত্য, সম্পাদক ঃ ভৱপ্ৰসাদ চলিহা, শ্ৰীমন্ত শংকৰদেৱ সংঘ।

২। নামঘোষা, প্ৰকাশক- পীতাম্বৰ দেৱগোস্বামী। বৰকটকী কোম্পানী, যোৰহাট।

৩। ভক্তিৰ কোহিনুৰ মহাপুৰুষ মাধৱদেৱ। ৰচক-যোগেন্দ্ৰ নাথ দত্ত প্ৰকাশক-মাধৱদেৱ শাখা সাহিত্য সভা। পাণবাৰী।

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

## ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জীৱন-দৰ্শন

of Religion' ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে উল্লেখ কৰিছে যে বিভিন্ন সংঘাতৰ উৎস ধৰ্মৰ বিভিন্নতাৰ বাবে সৃষ্টি নহয়, সংঘাতৰ মূল উৎস সহনশীলতাৰ অভাৱ। তেওঁৰ 'Religion and Civilization' গ্ৰন্থত এই বিষয়ে আৰু সুন্দৰকৈ ব্যাখ্যা কৰিছে যে আমি যদি সহনশীলতাক অনুশীলন কৰো, তেনেহ'লে ধৰ্মীয় কঠোৰতা আৰু ধৰ্মান্ধতা দূৰতে বিদূৰ হ'ব। তেওঁৰ মতে কোনোবাই যদি তেওঁৰ ধৰ্মক শ্ৰেষ্ঠ ধৰ্ম বুলি প্ৰচাৰ কৰে, তেনেহ'লে তেওঁ অধাৰ্মিকহে। তেওঁ নাস্তিকসকলকো উদাৰভাৱে গ্ৰহণ কৰিছে। কাৰণ, নাস্তিকসকলে ঈশ্বৰক বিশ্বাস নকৰিলেও তেওঁলোকেও এটা বিশেষ ধাৰণাক বুকুত ধাৰণ কৰে।

এনে এজন অসামান্য প্ৰতিভাৰ অধিকাৰী ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্মদিনটোক 'শিক্ষক দিৱস' হিচাপে পালন কৰিবলৈ পাই আমি সঁচাকৈয়ে গৌৰৱান্বিত।

এইখিনিতে 'শিক্ষক দিৱস'ৰ প্ৰাসংগিকতা আহি পৰে।

শিক্ষকবিলাক হ'ল, দেশৰ ধৰণীস্বৰূপ, সমাজৰ গঢ় দিওঁতা, জাতিৰ প্ৰতিষ্ঠাপক, মেৰুদণ্ডস্বৰূপ। তেওঁৰ শিক্ষাদানৰ মাজেৰে এখন সমাজৰ ভাষা, সাহিত্য, কলা, কৃষ্টি, সংস্কৃতি, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, ধৰ্ম, দৰ্শন আদি সকলো বিকশিত হৈ পৰে। শিক্ষাহীন সমাজ প্ৰাণহীন দেহৰ দৰে। শিক্ষকসকল হ'ল জ্ঞান আৰু বিবেকৰ মূৰ্ত প্ৰতীক, এজন প্ৰকৃত পথ প্ৰদৰ্শক। মালীয়ে ফুলনিৰ পুলিবোৰক উপযুক্ত সাৰ-পানী দি পৈণত কৰাৰ দৰে বিবেকৱান, ধীৰ-স্থিৰ, মানৱিক সজাগ কৰ্মপটু, ন্যায়পৰায়ণ, আদৰ্শ শিক্ষকৰ তত্বাৱধানত ছাত্ৰ-ছাত্ৰীৰ শ্ৰীবৃদ্ধি হয়।

মহাত্মা গান্ধীৰ মতে শিক্ষকসকলৰ শিশুসুলভ মন থাকিব লাগে। শিক্ষকসকলক ভাৰতৰ সমাজত আগস্থান দিবলৈ মহান শিক্ষাবিদ ৰুছো, কিণ্ডাৰগাৰ্টেন (KG) শিক্ষা পদ্ধতিৰ প্ৰতিষ্ঠাতা জাৰ্মানীৰ শিক্ষাবিদ ফ্ৰেডৰিখ ফ্ৰয়েবেল আৰু বিশ্ববৰেণ্য দাৰ্শনিক পণ্ডিত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ মহান আদৰ্শত উদ্বুদ্ধ হৈ শিক্ষকসকল আগবাঢ়ি যোৱা উচিত।

এই মহান আদৰ্শক সাফল্যমণ্ডিত কৰিবলৈ ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্মদিনটোক (৫ ছেপ্টেম্বৰ) 'শিক্ষক দিৱস' হিচাপে উদ্‌যাপন কৰি অহা হৈছে।

এনেকি ১৯৬৩ চনৰ ২৫ জুনত ভাৰত চৰকাৰৰ কেন্দ্ৰীয় মানৱ বিকাশ মন্ত্ৰালয়ে গঠন কৰা 'শিক্ষক কল্যাণ পুঁজি'ৰ পৰা প্ৰতি বছৰে কৃতী শিক্ষকসকলক (ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত) সম্বৰ্ধনা জনায় আৰু নানা ধৰণৰ আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে।

কিন্তু, শিক্ষকসকলৰ প্ৰতি সমাজৰ বা চৰকাৰৰ নানা কৰণীয় আছে। কেৱল 'শিক্ষক দিৱস'ৰ দিনা কৃতী শিক্ষকসকলক সম্বৰ্ধনা জনালেই নহ'ব (তাতে আকৌ ৰাজনীতিকৰণ হোৱা দেখা যায়) শিক্ষকসকলক নিয়মীয়া, অমঞ্জুৰিপ্ৰাপ্ত, ঠিকাভিত্তিক, টিউটৰ আদি বিভিন্ন নামকৰণ নকৰি স্থায়ীভাৱে নিযুক্তি প্ৰদান কৰি উপযুক্ত দৰমহা আৰু পুৰণি পেন্সন নীতিৰ আধাৰত অৱসৰপ্ৰাপ্ত শিক্ষকক সকলো সুবিধা দান কৰিব বুলি আশা ৰাখিলো।

তদুপৰি, শিক্ষকসকল আৰু তেওঁলোকৰ সন্তানক অন্ন, বস্ত্ৰ, বাসস্থান, শিক্ষা-স্বাস্থ্যৰ সম্পূৰ্ণ নিৰাপত্তা দান কৰিব বুলি চৰকাৰে নিশ্চয়তা প্ৰদান কৰে যেন।

তেতিয়াহে শিক্ষকসকলে শিক্ষাদানৰ দৰে মহান ব্ৰতত আত্মনিয়োগ কৰিব পাৰিব। ■

# জীৱনৰ নিৰন্তৰ প্ৰবাহ

মুনমী ভট্টাচাৰ্য

মানুহৰ জীৱনটো এখন নদীৰ দৰে। নদীৰ সোঁত যেনেকৈ কেতিয়াও একে ঠাইতে স্থিৰ হৈ নাথাকে, মানুহৰ জীৱনো তেনেকৈয়ে পৰিৱৰ্তনশীল। আমাৰ জীৱনৰ এই গতিশীলতাক ইন্ধন যোগায় আমাৰ হৃদয়ত থকা হাজাৰটা সপোনে। সপোনবোৰেই আমাক আগুৱাই যাবলৈ অনুপ্ৰেৰণা দিয়ে, নতুনকৈ জীয়াই থকাৰ আশাই বুকুত সাহস বান্ধে। কিন্তু জীৱনৰ সকলো সপোন জানো দিঠক হয়? নহয়। কেতিয়াবা সময়ৰ সোঁতত বা পৰিস্থিতিৰ পাকচক্ৰত আমাৰ আপোন সপোনবোৰ চকুৰ আগতে ভাঙি টুকুৰা-টুকুৰ হৈ পৰে। কিন্তু সপোন ভাঙিলেই জানো পৃথিৱীখন স্তব্ধ হৈ যায়? সপোন হেৰাই গ'লে মানুহ মুহূৰ্তৰ বাবে থৰ হৈ পৰিব পাৰে। যি ভৱিষ্যতক লৈ আমি পৰিকল্পনা কৰো, সেয়া হঠাৎ নোহোৱা হৈ গ'লে চাৰিওফালে কেৱল অন্ধকাৰ দেখা পোৱা যায়। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল যে, আমাৰ ব্যক্তিগত জগতখনত প্ৰলয় নামি আহিলেও প্ৰকৃতিৰ নিয়ম স্তব্ধ হৈ নাযায়। সূৰ্যটো যথাসময়তে উদয় হয়, বতাহজাক বৈ থাকে আৰু সময়ৰ ঘড়ীৰ কাঁটাই নিৰন্তৰ টিক্ টিক্ কৰি আগুৱাই গৈ থাকে। এইটোৱে জীৱনৰ আটাইতকৈ ডাঙৰ সত্য। কাৰোবাৰ ব্যক্তিগত দুখ বা ক্ষতিৰ বাবে সময় কেতিয়াও ৰৈ নাযায়। সপোন ভঙাৰ পাছত জীৱনৰ গতি সলনি হয়। ই এক সন্ধিক্ষণৰ দৰে। ইয়াৰ পৰাই মানুহৰ ব্যক্তিত্বৰ এক নতুন পৰিচয় গঢ় লৈ উঠে। কিছুমান মানুহৰ বাবে একোটা সপোন ভঙা মানে অন্য এক নতুন পথৰ সন্ধান কৰা। তেওঁলোকে নিজক মানসিকভাৱে শক্তিশালী কৰি তোলে। বিফলতাক তেওঁলোকে শিক্ষা হিচাপে লয় আৰু নতুন উদ্যমেৰে জীৱনক আদৰি লয়। আনহাতে, কিছুমান মানুহ ইমান কোমল মনৰ যে সপোন ভঙাৰ বেদনা তেওঁলোকে সহিব নোৱাৰে। হতাশাই তেওঁলোকক তিল তিলকৈ শেষ কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকে নিজকে সমাজৰ পৰা বিচ্ছিন্ন কৰি পেলায় আৰু জীৱনৰ ছন্দ হেৰুৱাই পেলায়। প্ৰাণত উশাহ থকালৈকে জীৱনটো চলি থাকিবই। আপুনি বিচাৰক বা নিবিচাৰক, জীৱনৰ ঢৌবোৰে আপোনাৰ হৃদয়ৰ পাৰত খুন্দিয়াই থাকিবই। কেতিয়াবা এই ঢৌবোৰ খুব সুন্দৰ আৰু ছন্দোময় হয়, যি আমাক সুখৰ অনুভৱ দিয়ে। আকৌ কেতিয়াবা এইবোৰ অতিপাত খৰস্ৰোতা আৰু বিধ্বংসী হয়, যি আমাৰ মানসিক স্থিৰতাক জোকাৰি যায়। কিন্তু এই সংঘাতেই হ'ল জীৱন। সংঘাত অবিহনে জীৱনৰ কোনো আমেজ নাই। যিদৰে ঢৌৱে সাগৰৰ পাৰত খুন্দা মাৰি পুনৰ সাগৰলৈকে ঘূৰি যায় আৰু নতুন শক্তিৰে আকৌ পাৰলৈ আহে, আমাৰ জীৱনৰ সংগ্ৰামবোৰো তেনেধৰণৰ। সপোন হেৰালে জীৱন শেষ হৈ নাযায়, বৰঞ্চ জীৱনৰ এটা অধ্যায়হে শেষ হয়। এখন দুৱাৰ বন্ধ হ'লে ঈশ্বৰে দহখন দুৱাৰ খুলি দিয়ে বুলি এষাৰ কথা আছে। মাথোঁ আমাক লাগে সেই নতুন দুৱাৰখন চাব পৰাৰ দৃষ্টিশক্তি আৰু আগুৱাই যোৱাৰ মানসিকতা। হতাশাই আমাক নিঃশেষ কৰাৰ আগতেই আমি আমাৰ ভিতৰত থকা সুপ্ত শক্তিক জগাই তুলিব লাগিব। আশা আৰু সপোন অবিহনে জীৱন মৰুভূমিৰ দৰে নিৰস। সপোন ভাঙিব পাৰে, লক্ষ্যভ্ৰষ্ট হ'ব পাৰে; কিন্তু জীয়াই থকাৰ হেঁপাহক কেতিয়াও ম্লান পৰিবলৈ দিব নালাগে। উশাহ চলি থকালৈকে আমি যুঁজ দি থাকিব লাগিব। কাৰণ যিমান দিন জীয়াই আছো, সিমান দিনেই জীয়াই থকাৰ প্ৰতিটো মুহূৰ্তক সাৰ্থক কৰি তোলাটোৱেই মানৱ জীৱনৰ চৰম সাৰ্থকতা।

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

## এজন আদৰ্শ শিক্ষকৰ দায়বদ্ধতা

বৰ্তমানৰ ডিজিটেল যুগত শিক্ষা ব্যৱস্থাৰ এক দ্ৰুত পৰিৱৰ্তন ঘটিছে। আগৰ দিনৰ দৰে অকল ক'লা ব'ৰ্ড আৰু চক পেঞ্চিলেৰে এতিয়া শিক্ষা দান কৰাটো সীমাবদ্ধ হৈ থকা নাই। স্মাৰ্ট ক্লাছৰুম, অনলাইন শিক্ষা আৰু ই-লাৰ্নিং পদ্ধতিৰ পয়োভৰ ঘটিছে। এনে সময়ত এজন আদৰ্শ শিক্ষকৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। বহুতৰে মনত প্ৰশ্ন উদয় হয় যে গুগল বা কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিক্ষকৰ প্ৰয়োজন আছেনে? ইয়াৰ উত্তৰ হ'ল- এজন শিক্ষকে যি মানৱীয় মৰম আৰু সহানুভূতিৰে এজন ছাত্ৰক বুজাব পাৰে, তাক কোনো যন্ত্ৰই নোৱাৰে। তথ্য হয়তো ইণ্টাৰনেটত বিচাৰিলে পোৱা যায়; কিন্তু সেই তথ্যক জ্ঞানলৈ ৰূপান্তৰ কৰিবলৈ এজন শিক্ষকৰ নিৰ্দেশনা লাগিবই। এজন আদৰ্শ শিক্ষকে সময়ৰ লগত খোজ মিলাই নতুন প্ৰযুক্তিৰ সৈতে পৰিচিত হোৱাটো অত্যন্ত প্ৰয়োজনীয়। তেওঁ যদি নিজেই আধুনিক শিক্ষা পদ্ধতিৰ বিষয়ে অৱগত নহয়, তেন্তে তেওঁ ছাত্ৰ-ছাত্ৰীক সঠিক দিশ দেখুৱাব নোৱাৰিব। কিন্তু প্ৰযুক্তিৰ ব্যৱহাৰ কৰাৰ লগতে নৈতিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াটো শিক্ষকৰ অন্যতম দায়িত্ব। আজিৰ প্ৰজন্মৰ মাজত যি ধৈৰ্যৰ অভাৱ দেখা গৈছে, তাক দূৰ কৰিবলৈ শিক্ষকৰ সহায় লাগিব। সামাজিক মাধ্যমৰ জৰিয়তে বিয়পা অপসংস্কৃতি আৰু ভুল তথ্যৰ পৰা ছাত্ৰক আঁতৰাই ৰখাটো আজিৰ সময়ৰ এক ডাঙৰ প্ৰত্যাহ্বান। এজন আদৰ্শ শিক্ষকে সমাজত চলি থকা বিভিন্ন সমস্যাৰ বিৰুদ্ধেও মাত মাতিব লাগে। ডাইনী হত্যাৰ দৰে কুসংস্কাৰ, লিংগ বৈষম্য বা পৰিৱেশ প্ৰদূষণৰ দৰে বিষয়বোৰত ছাত্ৰ-ছাত্ৰীক সজাগ কৰাটো শিক্ষকৰ কৰ্তব্য। বিদ্যালয় এখন অকল পাঠদানৰ ঠাই নহয়, বিদ্যালয় হ'ল এক ক্ষুদ্ৰ সমাজ। ইয়াত ছাত্ৰ-ছাত্ৰীয়ে আনৰ লগত কেনেকৈ মিলি থাকিব লাগে, সেই শিক্ষা পায়। সমাজ গঢ়াৰ এই প্ৰাথমিক পাঠ শিক্ষকেই দিয়ে। ছাত্ৰ-ছাত্ৰীৰ মাজত থকা প্ৰতিযোগিতামূলক মানসিকতাক এক সুস্থ দিশ দিয়াটো প্ৰয়োজন। অকল বেছি নম্বৰ পোৱাটোৱেই জীৱনৰ লক্ষ্য হ'ব নালাগে, এজন ভাল মানুহ হোৱাটোৱেহে আচল লক্ষ্য, এই কথাটো শিক্ষকে হৃদয়ংগম কৰাব লাগে। বৰ্তমান সময়ত মানসিক চাপৰ ফলত বহুতো ছাত্ৰই আত্মহত্যাৰ দৰে চৰম পথ বাছি লয়। তেনে ক্ষেত্ৰত এজন শিক্ষকে মনোবিজ্ঞানীৰ দৰে ছাত্ৰৰ মনৰ কথা বুজি তেওঁক সাহস দিব লাগে। শিক্ষক আৰু অভিভাৱকৰ মাজত এক সু-সম্পৰ্ক থকাটো প্ৰয়োজনীয়। এজন আদৰ্শ শিক্ষকে ছাত্ৰৰ উন্নতিৰ বাবে অভিভাবকৰ সৈতে নিয়মিত যোগাযোগ ৰাখে। সমাজৰ প্ৰতিটো স্তৰত শিক্ষাৰ পোহৰ বিলাই দিয়াটো এজন শিক্ষকৰ মূল উদ্দেশ্য। দুৰ্গম অঞ্চলত যিসকল শিক্ষকে সকলো ধৰণৰ অসুবিধাৰ মাজতো শিক্ষাদান কৰি আছে, তেওঁলোকৰ ত্যাগ অতুলনীয়। তেওঁলোকৰ এই নীৰৱ বিপ্লৱৰ বাবেই আজিও বহুতো পিছপৰা অঞ্চলত উন্নয়নৰ জোৱাৰ উঠিছে। এজন শিক্ষকে অকল নিজৰ বিষয়টো পঢ়াই দায়িত্ব শেষ বুলি ভাবিব নালাগে। তেওঁ সমাজৰ এগৰাকী সজাগ প্ৰহৰীৰ দৰে কাম কৰিব লাগে। দেশৰ আইন-কানুন, সংবিধান আৰু গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত ছাত্ৰক জ্ঞান দিয়াটো শিক্ষকৰ সামাজিক দায়বদ্ধতা। এই দায়বদ্ধতাই সমাজক শক্তিশালী কৰে আৰু এক সুস্থ পৰিৱেশৰ সৃষ্টি কৰে। শিক্ষকৰ এই বিশাল ভূমিকাৰ বাবেই তেওঁক সমাজৰ খনিকৰ বুলি কোৱা হয়।

সমাজ গঢ়াৰ যি নিৰন্তৰ প্ৰক্ৰিয়া, তাত শিক্ষকৰ স্থান সদায় সৰ্বোচ্চ হৈ থাকিব। এজন শিক্ষকে সিঁচি দিয়া জ্ঞানৰ বীজটোৱে এদিন এজোপা বিশাল মহীৰূহ হৈ সমাজক ছাঁ দিয়ে। এজন আদৰ্শ শিক্ষকৰ কোনো অৱসৰ নাই। কৰ্মজীৱনৰ পৰা অৱসৰ ল'লেও তেওঁ সমাজৰ বাবে সদায় এজন সন্মানীয় ব্যক্তি হৈ থাকে। তেওঁৰ পৰামৰ্শ আৰু আদৰ্শই ভৱিষ্যৎ প্ৰজন্মক সঠিক পথ দেখুৱাই থাকে। সমাজত শিক্ষকৰ মৰ্যাদা পুনৰ ঘূৰাই অনাটো আমাৰ সকলোৰে দায়িত্ব। বৰ্তমান বহু সময়ত শিক্ষকক অকল এজন বেতনভোগী কৰ্মচাৰী হিচাপে চোৱা হয়, যিটো আমাৰ সমাজৰ বাবে এক দুৰ্ভাগ্যজনক কথা। শিক্ষকক উপযুক্ত সন্মান আৰু সা-সুবিধা দিলেহে তেওঁ অধিক উৎসাহেৰে সমাজ গঢ়াৰ কামত ব্ৰতী হ'ব পাৰিব। এজন আদৰ্শ শিক্ষকৰ দায়বদ্ধতা অকল ছাত্ৰৰ প্ৰতি নহয়, সমগ্ৰ মানৱ জাতিৰ প্ৰতি। তেওঁ যি শিক্ষা দিয়ে, সেই শিক্ষাই সমাজৰ পৰা হিংসা, বিদ্বেষ আৰু অশান্তি দূৰ কৰিব পাৰে। বিশ্ব শান্তিৰ বাবে শিক্ষাৰ কোনো বিকল্প নাই আৰু সেই শিক্ষাৰ মূল কাণ্ডাৰীজন হ'ল শিক্ষক। ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ আমাক এনে এদল শিক্ষকৰ প্ৰয়োজন, যিসকল মানসিকভাৱে সবল আৰু আধুনিক জ্ঞানত পাকৈত। ছাত্ৰ-ছাত্ৰীৰ মনত বৈজ্ঞানিক মানসিকতাৰ লগতে আধ্যাত্মিক আৰু নৈতিক চেতনা জাগ্ৰত কৰাটো শিক্ষকৰ লক্ষ্য হোৱা উচিত। সমাজৰ প্ৰতি থকা দায়বদ্ধতাই এজন শিক্ষকক মহান কৰে। তেওঁৰ হাততেই নিৰ্মিত হয় এখন শোষণমুক্ত আৰু ন্যায়পূৰ্ণ সমাজ। শিক্ষকৰ যি কষ্ট আৰু একাগ্ৰতা, তাৰ যোগ্য মূল্য হয়তো সমাজে কেতিয়াও দিব নোৱাৰে, কিন্তু তেওঁৰ আদৰ্শক বুকুত বান্ধি আগুৱাই যোৱাটোৱেই হ'ব তেওঁৰ প্ৰতি প্ৰকৃত সন্মান। প্ৰতিজন শিক্ষকে নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে সচেতন হ'লে সমাজৰ পৰিৱৰ্তন নিশ্চিত। এজন শিক্ষকে অকল এজন ব্যক্তিক শিক্ষিত নকৰে, বৰঞ্চ এটা প্ৰজন্ম বা সমাজক শিক্ষিত কৰি তোলে। সেইবাবেই শিক্ষকৰ প্ৰভাৱ চিৰস্থায়ী। শ্ৰেণীকোঠাৰ পৰা আৰম্ভ হোৱা সেই জ্ঞানৰ যাত্ৰা এদিন সমাজৰ প্ৰতিটো কোণলৈ বিয়পি পৰে। সমাজ গঢ়াৰ এই মহান খনিকৰসকলক আমি সদায় শ্ৰদ্ধা জনোৱা উচিত। তেওঁলোকৰ অবিহনে এখন সভ্য সমাজৰ কল্পনা কৰাটো অসম্ভৱ। গতিকে এজন আদৰ্শ শিক্ষকৰ দায়বদ্ধতা অকল এটা দায়িত্ব নহয়, এয়া এক পবিত্ৰ অভিযান। এই অভিযানেই সমাজক পোহৰৰ দিশলৈ লৈ যাব। অনাগত দিনবোৰত শিক্ষাৰ মান উন্নত কৰিবলৈ আৰু সমাজৰ নৈতিক ভেটি মজবুত কৰিবলৈ শিক্ষকৰ ভূমিকা অধিক শক্তিশালী হোৱাটো একান্তই বাঞ্ছনীয়। আমাৰ সমাজৰ প্ৰতিজন শিক্ষকেই যেন একো একোটা আদৰ্শ হৈ ধৰা দিয়ে, সেয়াই আমাৰ কামনা। তেওঁলোকৰ ত্যাগ আৰু সাধনাৰ ফলতেই পৃথিৱীখন বাসোপযোগী হৈ থাকিব। শিক্ষকৰ এই মহান ব্ৰতক আমি সকলোৱে সমৰ্থন কৰিব লাগে আৰু তেওঁলোকৰ পথ অনুসৰণ কৰি এক উন্নত দেশ গঢ়াৰ সংকল্প ল'ব লাগে। এয়াই হ'ল এজন আদৰ্শ শিক্ষকৰ প্ৰকৃত পৰিচয় আৰু সমাজৰ প্ৰতি তেওঁৰ চিৰন্তন অৱদান। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## ভেজাল ঔষধৰ ব্যৱসায়ীক

আৰু পাইকাৰী বিক্ৰেতাৰ অনুজ্ঞাপত্ৰ বিভিন্ন জিলাত সামঞ্জস্য নথকাকৈ প্ৰদান কৰা, অনলাইনযোগে ঔষধ বিক্ৰীৰ ফলত নিষিদ্ধ দৰৱৰ প্ৰচলন ঘটি থকা, ড্ৰাগছ এণ্ড কছমেটিক এক্ট, ১৯৪০ত কিছুমান প্ৰয়োজনীয় দফা অন্তৰ্ভুক্তি নোহোৱা আদিৰ লগতে ৰাজ্যৰ প্ৰকৃত ঔষধ ব্যৱসায়ীসকলে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। এছ'চিয়েচনৰ এই স্মাৰকপত্ৰখন গ্ৰহণ কৰি স্বাস্থ্যমন্ত্ৰীয়ে জনসাধাৰণক বৈধভাৱে সুৰক্ষিত আৰু গুণগত মানসম্পন্ন ঔষধ যোগান নিশ্চিত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিছিল। চৰকাৰৰ অনুমতি অবিহনে বা নিয়ম উলংঘা কৰি ঔষধ বিক্ৰী কৰি অহাসকলৰ বিৰুদ্ধে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণৰ বিষয়েও স্বাস্থ্যমন্ত্ৰীৰ লগতে বিভাগৰ উচ্চপদস্থ বিষয়াসকলে এছ'চিয়েচনৰ প্ৰতিনিধিৰ সৈতে সিদিনা আলোচনা কৰিছিল। পাইকাৰী ঔষধ বিক্ৰীৰ অনুজ্ঞাপত্ৰ লাভ কৰি খুচুৰা ব্যৱসায় চলাই থকা প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে তদন্ত কৰিবলৈও স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে ড্ৰাগছ কণ্ট্ৰ'ল বিভাগক নিৰ্দেশ দিছিল। ইয়াৰ পিছতে ঔষধ পৰিদৰ্শকক লৈ গঠন কৰা অভিযানকাৰী দলে কামৰূপ, বৰপেটা, নগাঁও আদি জিলাৰ বিভিন্ন ঠাইত ঔষধৰ অসাধু ব্যৱসায়ৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰে। কামৰূপ মহানগৰ জিলাৰ ২২ টা ঔষধৰ নমুনা পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰাৰ লগতে ৩টা গোচৰো ৰুজু কৰিছে অভিযানকাৰী দলে। স্বাস্থ্য বিভাগৰ এনে পদক্ষেপক আদৰণি জনাই ভেজাল ঔষধৰ ব্যৱসায়ত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিবলৈ আৰু প্ৰকৃত ঔষধ ব্যৱসায়ীসকলৰ সমস্যাসমূহ সমাধান কৰিবলৈ চৰকাৰক আহ্বান জনাইছে কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েচন অব্ অসমে।

## জিএমচিএইচত স্থাপন

হাস্পতাল হিচাপে গঢ়ি তোলাৰ চলিত প্ৰচেষ্টাৰ এক অংশ। ইয়াৰ জৰিয়তে অসমৰ জনসাধাৰণক অত্যাধুনিক চিকিৎসা সেৱা প্ৰদানৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক অধিক সক্ষম কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। এই উদ্যোগে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী পৰিকল্পনাক প্ৰতিফলিত কৰিছে, যিটো চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে নিষ্ঠা আৰু দায়বদ্ধতাৰে আগুৱাই লৈ গৈছে। এই অংশীদাৰিত্বৰ জৰিয়তে প্ৰশিক্ষণ, সক্ষমতা বৃদ্ধি, জ্ঞানৰ আদান-প্ৰদান আৰু ক্লিনিকেল দক্ষতাৰ ক্ষেত্ৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক অধিক শক্তিশালী কৰি তুলিব। আনহাতে, Medanta-ই নতুন প্ৰযুক্তি আৰু প্ৰমাণভিত্তিক চিকিৎসা পদ্ধতিৰ ক্ষেত্ৰত পৰামৰ্শমূলক সহায় আগবঢ়াব। প্ৰথম পদক্ষেপ হিচাপে অহা ৩০ দিনৰ ভিতৰত বিস্তৃত ৰূপায়ণ পৰিকল্পনা চূড়ান্ত কৰা হ'ব। যুটীয়া পৰ্যবেক্ষণ আৰু গুণগত মান নিশ্চিতকৰণৰ ব্যৱস্থাৰ জৰিয়তে এই MoU-এ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতালক ৰবটিক ছাৰ্জাৰীৰ এক আগশাৰীৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰিব। ইয়াৰ ফলত বিভিন্ন চিকিৎসা বিভাগত উন্নতমানৰ ৰবটিক অস্ত্ৰোপচাৰ সেৱা সম্প্ৰসাৰণ কৰাৰ সুযোগ সৃষ্টি হ'ব। অসম চৰকাৰৰ হৈ এই MoU-ত স্বাক্ষৰ কৰে ড° সিদ্ধাৰ্থ সিং, IAS, অসম চৰকাৰৰ চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত আৰু সচিবে। Global Health Limited (Medanta)-ৰ হৈ প্ৰতিনিধিত্ব কৰে বিশ্বজিৎ ডেকা (DGM Marketing), জয়ন্ত কলিতা (AGM Marketing) আৰু ৰোহন আব্ৰাহামে (Northeast India Strategy)।

## নলবাৰী মেডিকেল কলেজৰ

পৰিয়ালসমূহৰ প্ৰতিগৰাকী সদস্যৰ যিকোনো স্বাস্থ্যজনিত বিষয়ৰ বাবে তেওঁলোকে শিক্ষাৰ্থীগৰাকীক যোগাযোগ কৰে আৰু শিক্ষাৰ্থীগৰাকীয়ে প্ৰয়োজনীয় সকলোধৰণৰ সেৱা প্ৰদান কৰে। শিক্ষাৰ্থীসকলে ঘৰলৈ গৈ পৰিয়ালৰ প্ৰতিজন সদস্যৰ স্বাস্থ্য পৰীক্ষা কৰে। এই কাৰ্যসূচীত জ্যেষ্ঠ চিকিৎসকসকলে শিক্ষাৰ্থীসকলক আৱশ্যকীয় নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান কৰে। স্বাস্থ্য সেৱা ব্যৱস্থাক ফলপ্ৰসূ আৰু কাৰ্যক্ষম কৰাৰ বাবে এই পদক্ষেপ যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কেৱল চিকিৎসা সেৱা প্ৰদানেই নহয়, কেনেদৰে সুস্বাস্থ্যবান হৈ থাকিব লাগে অৰ্থাৎ পৰিশীলিত জীৱনবোধৰ জৰিয়তে সবল আৰু সুৰক্ষিত সমাজ গঠনৰ মহান লক্ষ্যও এই পদক্ষেপৰ লগত সংযুক্ত হৈ আছে নলবাৰী জিলাৰ দতৰা, বৰধনৰা, আমৰা, লাটিমা, কঠৰা, কুঁৱৰীকুছি, নাৰপাৰা, বৰখালা, ঠানপাটকুছি গাঁৱৰ ৰাইজক এই কাৰ্যসূচীয়ে সামৰি লৈছে। আন্তৰিকতাৰে পূৰ্ণ এই মানৱতাবাদী সেৱা আৰু সমৰ্পণে স্বাস্থ্য খণ্ডৰ প্ৰতি থকা ৰাইজৰ আশা তথা আস্থাক অধিক গতিশীল কৰি তুলিব বুলি আশা কৰা হৈছে।

# সৰুসজাইত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন





**গুৱাহাটী ঃ** ক্ৰীড়া, শাৰীৰিক সুস্থতা আৰু অসমৰ চহকী থলুৱা ক্ৰীড়া পৰম্পৰাৰ প্ৰচাৰৰ উদ্দেশ্যে আয়োজিত এলানি ক্ৰীড়া প্ৰতিযোগিতা, প্ৰদৰ্শনী আৰু কাৰ্যসূচীৰে যোৱা ২৯ আগষ্টত সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত 'ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২০২৬' উদ্যাপন কৰা হয়। এই কাৰ্যসূচীত অসমৰ মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰাৰ লগতে মেজৰ ধ্যান চান্দৰ স্মৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। উপস্থিত ৰাইজক সম্বোধন কৰি মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে কয় যে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস হৈছে অসমত এক শক্তিশালী ক্ৰীড়া সংস্কৃতি গঢ়ি তোলা আৰু শিশু তথা যুৱক-যুৱতীসকলক ক্ৰীড়াত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ সংকল্পক পুনৰ দৃঢ় কৰাৰ এক বিশেষ পদক্ষেপ। মন্ত্ৰীগৰাকীয়ে খেল মহাৰণৰ সফলতাৰ কথা উল্লেখ কৰি কয় যে ই সমগ্ৰ ৰাজ্যতে তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভা চিনাক্ত আৰু বিকশিত কৰাৰ এক মঞ্চ প্ৰদান কৰিছে আৰু এনে পদক্ষেপসমূহত ভৱিষ্যতেও গুৰুত্ব আৰোপ কৰা হ'ব। ভাৰতীয় ক্ৰীড়াত মেজৰ ধ্যান চান্দৰ অতুলনীয় অৱদানৰ কথা স্মৰণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁৰ জীৱন আৰু কৃতিত্বই প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি খেলুৱৈসকলক অনুপ্ৰাণিত কৰি আহিছে। ক্ৰীড়াত পাৰদৰ্শিতা অৰ্জনৰ বাবে তেওঁ অনুশাসন, নিষ্ঠা আৰু অধ্যৱসায়ৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। এই উদ্যাপনৰ অংশ হিচাপে ৰছী টনা, হাঁহ ধৰা, কুকুৰা যুঁজ, ভাৰতীয় ধনুৰ্বিদ্যা, টেকেলি ভঙা আদি খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ লগতে বড়ো মল্লযুঁজ, নাও খেলৰ গীত, মাহাও, থাং-তা আৰু পেং ৰাক আদিকে ধৰি বিভিন্ন পৰম্পৰাগত আৰু থলুৱা খেলৰ প্ৰদৰ্শনীও আয়োজন কৰা হয়। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এনে অনুষ্ঠানে অসমৰ বৈচিত্ৰ্যময় ক্ৰীড়া পৰম্পৰা আৰু থলুৱা খেলসমূহ প্ৰদৰ্শন কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰে আৰু লগতে নতুন প্ৰজন্মক শাৰীৰিকভাৱে সক্ৰিয় হৈ থাকি নিজৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে জড়িত হৈ থাকিবলৈ অনুপ্ৰাণিত কৰে। এই অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালক অংকুৰ ভৰালী আৰু কমনৱেল্থ গেমছৰ স্বৰ্ণ পদক বিজয়ী নয়নমণি শইকীয়াও উপস্থিত থাকে।

# পৰেশ বৈশ্য ফাউণ্ডেচনৰ উদ্যোগত শিক্ষা- সাংবাদিকতাৰ দিন

**গুৱাহাটী ঃ** শিক্ষা, সাংবাদিকতাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে অহা ১৫ ছেপ্টেম্বৰত বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত ১৯ সংখ্যক শিক্ষা-সাংবাদিকতাৰ দিন উদ্যাপন কৰিব। এইবাৰৰ শিক্ষা-সাংবাদিকতাৰ দিনৰ আলোচ্য বিষয় হ'ল— সামাজিক মাধ্যমত বিকল্প কণ্ঠস্বৰৰ উত্থান। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ অক্ষয় কুমাৰ মিশ্ৰ, বিশিষ্ট কবি আৰু সুবক্তা ড° নন্দ সিং বৰকলা, বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠক আৰু বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° অৱনী কুমাৰ ভাগৱতীয়ে অতিথিৰূপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতেই 'শিক্ষাৰ্থীৰ সপোন' শিতানত 'মোৰ সপোনৰ শিক্ষা ব্যৱস্থা' শীৰ্ষক এক বিশেষ বক্তৃতা প্ৰদান কৰিব গুৱাহাটীৰ কামাখ্যা গেটৰ নীলাচল জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী দৰ্শিতা বণিক্যই। উক্ত অনুষ্ঠানতেই পৰেশ বৈশ্য ফাউণ্ডেচনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা শংকৰী সাহিত্যৰ সাধক ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীক শংকৰদেৱ অধ্যয়ন বঁটা, লখিমপুৰৰ নাৰায়ণপুৰৰ যোগেন্দ্ৰ নাথ দত্তক মাধৱদেৱ অধ্যয়ন বঁটা, ৰামদিয়াৰ মহেন্দ্ৰ নাথ ডেকাক অসম ইতিহাস অধ্যয়ন বঁটা, ৰঙিয়াৰ মুৰাৰা বালিকা বিদ্যালয় বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী নিভা ডেকা মহন্তক শ্ৰেষ্ঠ শিক্ষয়িত্ৰী বঁটা, মৰিগাঁৱৰ সাংবাদিক ডালিম ফুকনক শ্ৰেষ্ঠ সাংবাদিক বঁটা, শিশু সাহিত্যিক যুগল লোচন দাসক শিশু সাহিত্য বিষয়ক ফেল'শ্বিপ প্ৰদান কৰাৰ লগতে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা বান-বিভীষিকা বিষয়ক ডাকযোগে চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতেই পৰেশ বৈশ্য ফাউণ্ডেচনৰ বাৰ্ষিক গৱেষণাধৰ্মী গ্ৰন্থ 'এডুকেৰে'ৰ দ্বিতীয় সংখ্যা, পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিশু সাহিত্য বিষয়ক ফেল'শ্বিপৰ আধাৰত যুগল লোচন দাসে যুগুতোৱা পাণ্ডুলিপিৰ ছপা সংস্কৰণ 'অসমীয়া শিশু সাহিত্য ঃ ২০০১-২০২৫' আৰু ড° হেমন্ত হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত শিক্ষাবিদ পৰেশ বৈশ্যৰ জীৱন আৰু কৃতিৰ বিষয়ে বিভিন্নজনে কৰা মূল্যায়ন বিষয়ক গ্ৰন্থ 'সান্নিধ্যৰ সৌৰভ' উন্মোচন কৰা হ'ব। অনুষ্ঠানত সংশ্লিষ্ট সকলোকে উপস্থিত থাকিবলৈ পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই অনুৰোধ জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# হিতাধিকাৰীক সামগ্ৰীৰ বিতৰণ নিশ্চিত

সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ লাভৰ হাৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰি সন্থাই উত্থাপন কৰা সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ নবীকৰণ, আনলৈ হস্তান্তৰ কৰা আৰু ব্যৱসায়ীসকলে সন্মুখীন হোৱা অন্যান্য কাৰ্যকৰী সমস্যাসমূহৰ বিষয়েও আলোচনা কৰা হয়। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত হিতাধিকাৰীসকলৰ মাজত খাদ্যশস্য আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ ফলপ্ৰসূ বিতৰণ নিশ্চিত কৰাত সুলভ মূল্যৰ ব্যৱসায়ীসকলে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ সন্থাৰ প্ৰতিনিধিসকলক তেওঁলোকৰ ন্যায্য আৰু যুক্তিসংগত সমস্যাসমূহ যথোচিত গুৰুত্বসহকাৰে পৰীক্ষা কৰা হ'ব বুলি আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক বিষয়সমূহ সামগ্ৰিকভাৱে পৰীক্ষা কৰি প্ৰযোজ্য নিয়ম-নীতি আৰু বিধি-বিধান অনুসৰি উপযুক্ত আৰু বাস্তৱসন্মত সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ বৈধ সমস্যাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাৰ লগতে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সুচাৰু আৰু ফলপ্ৰসূ ৰূপায়ণ অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজহুৱা বিতৰণ ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ লগতে হিতাধিকাৰীসকলৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰীৰ সুচাৰু বিতৰণ নিশ্চিত কৰাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰে। বৈঠকত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন ছামাল, আয়ুক্ত হেমন্ত ভুএঞা, উপ-সচিব দীপান্বিতা দাসৰ লগতে বিভাগটোৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।



উজনিৰ বানপীড়িত শিক্ষাৰ্থীলৈ ১০ হাজাৰ বহী প্ৰেৰণ

# মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ এক লাখ টকা সদৌ অসম ছপাশাল স্বত্বাধিকাৰী সংস্থাৰ

**গুৱাহাটী ঃ** সদৌ অসম ছপাশাল স্বত্বাধিকাৰী সংস্থাৰ এটা প্ৰতিনিধি দলে যোৱা দেওবাৰে পুৱা দিছপুৰস্থিত চৰকাৰী বাসগৃহত অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক সাক্ষাৎ কৰি উজনি অসমত বানত ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ এক লাখ টকাৰ বৰঙণি আগবঢ়ায়। সংস্থাই লগতে বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগ্ৰহণত সহায়ক হোৱাকৈ ১০ হাজাৰ বহী বিনামূলীয়াকৈ বিতৰণৰ বাবে প্ৰেৰণ কৰে আৰু এই যাত্ৰাৰ শুভাৰম্ভ কৰে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষা মন্ত্ৰীক সাক্ষাৎ কৰা দলটোত আছিল সদৌ অসম ছপাশাল স্বত্বাধিকাৰী সংস্থাৰ সভাপতি দিব্যজ্যোতি কলিতা, সাধাৰণ সম্পাদক হিৰণ্য মেধি, কোষাধ্যক্ষ আৰ এন দত্তবৰুৱা আৰু যুটীয়া সম্পাদক মৃণাল চেটাৰ্জী।

পাঠশালাত এম বি পি-সমন্বয় যুৱ পৰিষদৰ অভিনৱ পদক্ষেপ

# পদপথৰ কুকুৰ, পশুধনক পিন্ধালে ৰেডিয়ামৰ কলাৰ

**অসম ভূমি সেৱা, পাঠশালা ঃ** পাঠশালাৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী এলেকাৰ একাংশ শিক্ষিত যুৱকৰ প্ৰচেষ্টাত গঢ়ি উঠা সামাজিক স্বেচ্ছাসেৱী অনুষ্ঠান এম বি পিৰ উদ্যোগত আৰু সমন্বয় যুৱ পৰিষদৰ সহযোগত ৩০ আগষ্টত পাঠশালাত গৰাকীবিহীন পদপথৰ কুকুৰৰ লগতে ৰাস্তাই-ঘাটে ঘূৰি-ফুৰা কেইবাটাও গৰুক খাদ্য খুওৱাৰ লগতে গলত ৰেডিয়ামযুক্ত কলাৰ পিন্ধাই দিয়ে। উল্লেখ্য যে ৰাস্তাই ঘাটে নিশা ঘূৰি-ফুৰা গৰু, কুকুৰৰ কোনো ধৰণৰ সাংকেতিক চিহ্ন নথকাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সময়ত দুচকীয়া, চাৰিচকীয়া বাহনসমূহ দুৰ্ঘটনাগ্ৰস্ত হৈ আহিছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি অনুষ্ঠান দুটাই পদপথৰ এই অমাতা জীৱবোৰক খাদ্য খুওৱাৰ লগতে নিশা ঘূৰি-ফুৰা জীৱ-জন্তুবোৰ যাতে সহজতে দুচকীয়া-চাৰিচকীয়া বাহনৰ পোহৰত জিলিকি উঠে তাৰ বাবে ৰেডিয়ামযুক্ত কলাৰ পিন্ধোৱা হয়। ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ




পাঠশালা উৰণ সেতুৰ তলত যোৱা দেওবাৰে পুৱাৰ ভাগত আৰম্ভ কৰা অনুষ্ঠান দুটাৰ এই অভিনৱ কাৰ্যসূচীয়ে অঞ্চলটোত যথেষ্ট সমাদৃত হৈছে। উৰণ সেতুৰ পাছতে পাঠশালা চাৰিআলি চ'ক, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সন্মুখতো কেইবাটাও গৰু আৰু কুকুৰক খাদ্য প্ৰদান কৰাৰ লগতে ৰেডিয়ামযুক্ত কলাৰ পিন্ধাই দিয়ে। এই কাৰ্যসূচীত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ অৰ্থনীতি বিভাগৰ ছাত্ৰ ধীভান পাটগিৰী, অভিযেশ কলিতা, হাৰ্মিছ্ন দাস, অনিমেশ চৌধুৰী, ধীমান দাস, পাৰ্থপ্ৰতিম ৰয়, অনুৰাগ শাণ্ডিল্য, মাধুৰ্য পাটগিৰী, অৰ্ণৱ ডেকা, সমৰজিৎ দাসকে আদি কৰি সংস্থা দুটাৰ বহু সদস্যই অংশগ্ৰহণ কৰে।

# মাছখোৱা-জালুকবাৰী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশন



**গুৱাহাটী ঃ** গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত অন্যতম আঞ্চলিক কৰ্মচাৰী পৰিষদ মাছখোৱা-জালুকবাৰী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশন যোৱা ৩০ আগষ্টত সুন্দৰবাড়ি মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। অধিৱেশনৰ প্ৰতিনিধি সভাত সভাপতিত্ব কৰে মাছখোৱা-জালুকবাৰী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি তিলক চন্দ্ৰ বৈশ্যই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অৰূপজ্যোতি বেজে। প্ৰতিনিধি সভাখন মুকলি কৰে প্ৰাক্তন সভাপতি প্ৰদীপ শৰ্মাই। সভাত গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ সহঃ সম্পাদক দিলীপ চাংমা আৰু নমিতা দেৱী পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। প্ৰতিনিধি সভাৰ সৰ্বসন্মতিক্ৰমে আগন্তুক দশমসংখ্যক কাৰ্যনিৰ্বাহকৰ বাবে তিলক চন্দ্ৰ বৈশ্যক সভাপতি আৰু অৰূপজ্যোতি বেজক সম্পাদক হিচাপে লৈ এখনি ১৫ জনীয়া নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে। উক্ত অধিৱেশনত পাঁচগৰাকী অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

# টংলাৰ ৰহিলা হাজৰিকাৰ মৃত্যু



**অসম ভূমি সেৱা, মঙলদৈ ঃ** টংলা টাউনৰ ৪ নম্বৰ ৱাৰ্ড (চিত্ৰনগৰ) নিবাসী সৰ্বৰহী মহিলা ৰহিলা হাজৰিকাৰ যোৱা ২৯ আগষ্টত সন্ধিয়া নিজা বাসভৱনত মৃত্যু হয়। সৰ্বৰহী মহিলাগৰাকী বিগত কিছুদিনৰ পৰা যকৃতৰ ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৭২ বছৰ হৈছিল। তেওঁ অভিযন্তা পুত্ৰ নেত্ৰদীপ হাজৰিকা, বিবাহিত জীয়ৰী শিক্ষয়িত্ৰী দীপান্বিতা হাজৰিকা, শিক্ষয়িত্ৰী ডলী হাজৰিকা, জোঁৱাই আৰু চাৰিগৰাকী নাতিক এৰি যায়। তেওঁৰ মৃত্যুত টংলা টাউন যুথ ক্লাব, অগ্ৰগামী সংঘ, শিল্পী সমাজ আৰু আত্মীয়, গুণমুগ্ধসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

# নহিৰাত 'বেণ্ড অব্ মৌপিয়া'ৰ বেনাৰত 'বলিয়া বান' গীত মুকলি

**অসম ভূমি সেৱা, আজাৰা ঃ** কামৰূপ জিলাৰ নহিৰাত সাংস্কৃতিক জগতত সংযোজন হ'ল আন এক নতুন মাত্ৰা। জনপ্ৰিয় সংগীত প্ৰযোজনা সংস্থা 'বেণ্ড অব্ মৌপিয়া'ৰ বেনাৰত শুভমুক্তি লাভ কৰিলে নতুন অসমীয়া আধুনিক গীত 'বলিয়া বান'। ২৮ নং নহিৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ২৬ আগষ্টৰ সন্ধিয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে গীতটো মুকলি কৰা হয়। গীতটোত কণ্ঠদান কৰিছে পলাশবাৰী সম-জিলাৰ চক্ৰ বিষয়া ড° অংকিতা শৰ্মাই। প্ৰশাসনিক দায়িত্বৰ লগতে সংগীতৰ ক্ষেত্ৰখনতো তেওঁৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে উপস্থিত সকলোৱে। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি গীতটো মুকলি কৰে বিশিষ্ট সংগীত শিল্পী ইবচনলাল বৰুৱাই। তেওঁৰ সহধৰ্মিণী তথা কণ্ঠশিল্পী তৃষা ডেকা, ৰামপুৰ খণ্ড উন্নয়ন বিষয়া ভূপালী গোস্বামী, বিজয়নগৰ আৰক্ষী চকীৰ বিষয়া স্বপন কলিতা প্ৰমুখ্যে অঞ্চলটোৰ বহু কেইগৰাকী




বিশিষ্ট ব্যক্তি, সাহিত্যিক, সাংবাদিক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে উক্ত অনুষ্ঠানত। গীতটো ৰচনা কৰিছে সাহিত্যিক, সাংবাদিক কিশোৰ কুমাৰ কলিতাই। গীতটোৰ সুৰ সংযোজন কৰিছে সাংবাদিক তথা সাংস্কৃতিক কৰ্মী মন সাগৰ আৰু ফটো সাংবাদিক গৌতম জ্যোতি হাজৰিকাই, সংগীত ব্যৱস্থাপনা, ৰেক'ৰ্ডিং আৰু মিক্স-মাষ্টাৰিঙৰ দায়িত্বত আছে মৌপিয়া ষ্টুডিঅ'ৰ স্বত্বাধিকাৰী তথা যুৱ বাদ্যযন্ত্ৰী শিল্পী দ্বীপজ্যোতি হাজৰিকাৰ। উল্লেখ্য যে বেণ্ড অব্ মৌপিয়াৰ বেনাৰত ইতিমধ্যে 'বিহু বলিয়া', 'বিয়া নাম', 'উৰুকা', 'নিথৰ নিশা' আদিৰ দৰে কেইবাটাও জনপ্ৰিয় গীতে শ্ৰোতাৰ মাজত বিপুল সমাদৰ লাভ কৰিছে। 'বলিয়া বান' গীতটোৰেও সেই ধাৰা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰিছে বেণ্ড অব্ মৌপিয়া পৰিয়ালে। গীতটো এতিয়া মৌপিয়া ষ্টুডিঅ'ৰ অফিচিয়েল ইউটিউব চেনেলত উপলব্ধ।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah